**<u>প্ৰতিবেদনযোগ্য</u>**

**ভাৰতীয় উচ্চতম ন্যায়ালয়ৰ ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ**

**<u>ফৌজদাৰী আপীল নং ৬৯৯/২০২০</u>**

**[এছ.এল.পি. (বিশেষ অনুমতি আবেদন) (ফৌজদাৰী) নং ২৩৩৩/২০২০–ৰ পৰা উদ্ভৱ হোৱা]**

**এম. ৰবীন্দ্ৰন**

**.......................... আপীলকাৰী**

**বনাম**

**চোৰাংচোৱা বিষয়া, ৰাজহ চোৰাংচোৱা সঞ্চালকালয়**

**.............................উত্তৰদাতা**

# <u>ৰায়</u>

**<u>ন্যায়াধীশ মোহন এম. শান্তনাগৌদাৰ</u>**

অনুমতি প্ৰদান কৰা হৈছে।

২. এই আপীল আবেদনত ২১.১১.২০১৯ তাৰিখৰ মাদ্ৰাজস্থিত হাইকোৰ্ট অৱ যুদিকেচাৰ(উচ্চ ন্যায়ালয়)–ৰ দ্বাৰা গৃহীত ক্ৰি.অ.পি.(ফৌজদাৰী মূল আবেদন) ৯৭৫০/২০১৯–ৰ ৰায়ৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপিত হৈছে।

নিম্নলিখিত চমু তথ্যৰ ভিত্তিত এই আপীল আবেদন দাখিল কৰা হৈছে: ৩.১ আপীলকাৰীক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু ০৪.০৮.২০১৮ তাৰিখে নাৰ্কোটিক ড্ৰাগছ এণ্ড চাইকোট্ৰপিক চাবষ্টেন্স এক্ট, ১৯৮৫ (এন.ডি.পি.এছ.

আইন)-ৰ (মাদকদ্ৰব্য আৰু নিচাজাতীয় পদাৰ্থ আইন) ধাৰা ৪(চি) লগতে ধাৰা ২২(চি), ২৩(চি), ২৫এ আৰু ২৯ সৈতে শাস্তিযোগ্য অপৰাধৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছিল। জিম্মাৰ তাৰিখৰ পৰা ১৮০ দিন সম্পূৰ্ণ হোৱাৰ পিছত অৰ্থাৎ ৩১.০১.২০১৯ তাৰিখত আপীলকাৰী (অভিযুক্ত নং ১১)-য়ে ফৌজদাৰী প্ৰক্ৰিয়া বিধি, ১৯৭৩-ৰ ধাৰা ১৬৭(২)-ৰ অধীনত ০১.০২.২০১৯ তাৰিখে এন.ডি.পি.এছ. আইন, চেন্নাই (বিচাৰ আদালত)-ৰ অধীনত গোচৰৰ একক বিচাৰৰ বাবে গঠিত বিশেষ আদালতৰ সন্মুখত তদন্ত সম্পূৰ্ণ নোহোৱা লগতে অভিযোগপত্ৰ দাখিল নকৰা বুলি আবেদন দাখিল কৰিছিল। সেই অনুসৰি, ০৫.০২.২০১৯ তাৰিখে এই আদালতৰ বিচাৰাধীন ২০১৯ চনৰ আৰ.আৰ. নং ০৯/২০১৮-ৰ ক্ৰি.এম.পি. (ফৌজদাৰী বিবিধ আবেদন) নং ১৩১-ত জামিনৰ আদেশ মঞ্জুৰ কৰে।

৩.২ উত্তৰদাতা/ অভিযোগকাৰী অৰ্থাৎ ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ৰ চোৰাংচোৱা বিষয়াই ফৌজদাৰী মূল আবেদন নং ৯৭৫০/২০১৯ দাখিল কৰি, মাদ্ৰাজৰ হাইকোৰ্ট অৱ জুদিকেচাৰ (উচ্চ ন্যায়ালয়)-ৰ সন্মুখত আপীলকাৰীৰ জামিন বাতিল কৰিবলৈ প্ৰাৰ্থনা কৰিছিল। উচ্চ ন্যায়ালয়ে বিবাদিত ৰায়ৰ দ্বাৰা, উক্ত আপীলৰ অনুমতি দিছিল আৰু ফলস্বৰূপে বিচাৰ আদালতৰ দ্বাৰা প্ৰদান কৰা জামিনৰ আদেশ বাতিল কৰা হৈছিল। ক্ষুব্ধ হৈ, উচ্চ ন্যায়ালয়ৰ ৰায়ৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি এই আপীলকাৰীজন আদালতৰ কাষ চাপে।

৩.৩ এই কথাত বিবাদ নাই যে, আপীলকাৰীক ০৪.০৮.২০১৮ তাৰিখে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছিল আৰু সেয়েহে ৩১.০১.২০১৯ তাৰিখে (জিম্মাৰ তাৰিখ বাদ দি) ধাৰা ১৬৭(২), ফৌজদাৰী প্ৰক্ৰিয়া বিধি-ৰ অধীনত চূড়ান্ত প্ৰতিবেদন দাখিলকৰাৰ বাবে নিৰ্ধাৰিত ১৮০দিনৰ

বাধ্যতামূলক ম্যাদ সম্পূৰ্ণ হয়। এইকথা তলত উল্লেখ কৰা গ্ৰেগৰিয়ান বৰ্ষপঞ্জীৰ দিনগণনাৰ দ্বাৰা স্পষ্ট কৰা হৈছে:

"আগষ্ট ২০১৮(০৫.০৮.২০১৮-ৰ পৰা ৩১.০৮.২০১৮লৈ)- ২৭ দিন

ছেপ্টেম্বৰ ২০১৮................................- ৩০ দিন

অক্টোবৰ ২০১৮................................- ৩১ দিন

নৱেম্বৰ ২০১৮.................................- ৩০ দিন

ডিচেম্বৰ ২০১৮.................................- ৩১ দিন

জানুৱাৰী ২০১৯.................................- ৩১ দিন

-------------------

মুঠ- ১৮০ দিন

-------------------"

৩.৪ সেই অনুসৰি, আপীলকাৰীয়ে বিচাৰ আদালতৰ সন্মুখত ০১.০২.২০১৯ তাৰিখে পুৱা ১০:৩০বজাত তেওঁৰ জামিন আবেদন দাখিল কৰিছিল। আপীলকাৰীৰ পৰামৰ্শদাতাৰ আৰগুমেন্ট(যুক্তি) সম্পূৰ্ণ হোৱাৰ পিছত জামিন আবেদনৰ শুনানিৰ সময়ত থূলমূলভাৱে ক'বলৈ হ'লে উত্তৰদাতা/ অভিযোগকাৰীয়ে ০১.০২.২০১৯ তাৰিখে আবেলি ৪:২৫ বজাত আপীলকাৰীৰ বিৰুদ্ধে অতিৰিক্ত অভিযোগ দাখিল কৰিছিল আৰু উক্ত অভিযোগৰ ভিত্তিত জামিন আবেদনখন খাৰিজ কৰিব বিচাৰিছিল। অৱশ্যে, বিচাৰ আদালতে এইবাবেই জামিন আবেদনৰ অনুমতি দিছিল যে, আপীলকাৰীৰ অখন্দনীয় অধিকাৰৰ সৈতে হস্তক্ষেপ কৰাৰ কোনো ক্ষমতা ধাৰা ১৬৭(২)-ৰ বিধানীয় আদেশৰ দ্বাৰা আদালতে তেওঁক প্ৰদান কৰা নাই।

৩.৫ বিচাৰ আদালতৰ উক্ত ৰায়টো উচ্চ ন্যায়ালয়ে এই ভিত্তিত একাষৰীয়া কৰিছিল যে, অতিৰিক্ত অভিযোগটো ০১.০২.২০১৯ তাৰিখেই দাখিল কৰা

হৈছিল আৰু যিহেতু ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২)-ৰ অধীনত জামিনৰ আবেদন, অতিৰিক্ত অভিযোগ দাখিল কৰাৰ সময়লৈকে নিষ্পত্তি কৰা হোৱা নাছিল, আপীলকাৰীয়ে সময়ৰ আগতেই তেওঁৰ জামিন আবেদন দাখিল কৰা যুক্তিৰ সুবিধা ল'ব নোৱাৰিব। উচ্চ ন্যায়ালয়ে এই যুক্তিও দিছিল যে, সত্ৰ ন্যায়ালয়ে দিনটোৰ আৰম্ভণিৰ পৰা শেষলৈ কাৰ্য সম্পাদন কৰে আৰু সেয়েহে আপীলকাৰীয়ে ৰাতিপুৱা ১০:৩০বজাতে আবেদন দাখিল কৰাৰ বাবে কোনো নিৰ্দিষ্ট সুবিধা লাভ কৰিব নোৱাৰিলে, কিয়নো জামিন আবেদনৰ শুনানিৰ সময়ত দিনটোৰ বাবে আদালত উঠি যোৱাৰ আগতেই অতিৰিক্ত অভিযোগ দাখিল কৰা হৈছিল।

৪. বিজ্ঞ পৰামৰ্শদাতা শ্ৰীমতী অৰুণিমা সিঙে আপীলকাৰীৰ পক্ষত উপস্থিত হৈ ৰেকৰ্ডত থকা তথ্যৰ পৰ্য্যালোচনাৰ দ্বাৰা পৰামৰ্শ দাঙি ধৰিছিল আৰু **উদয় মোহনলাল আচাৰ্য বনাম মহাৰাষ্ট্ৰ ৰাজ্য**, (২০০১) ৫ এছ.চি.চি. ৪৫৩-ৰ ক্ষেত্ৰত এই আদালতৰ পৰ্যৱেক্ষণৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰি যুক্তি দিছিল যে, উচ্চ ন্যায়ালয়ে ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২)-ৰ আদেশক ভুল ব্যাখ্যা কৰিছে আৰু বিষয়টোৰ গুণাগুণ উপলব্ধি কৰাত গুৰুতৰভাৱে ভুল কৰিছে; ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২)-ৰ দ্বাৰা প্ৰদান কৰা বিধানীয় আদেশ উচ্চ ন্যায়ালয়ে লাহেকৈ আঁতৰাই থৈছিল, যদিও আপীলকাৰীয়ে ১৮০ দিনৰ বাধ্যতামূলক ম্যাদ সম্পূৰ্ণ হোৱাৰ পিছত ইয়াৰ ব্যৱস্থাবোৰ সঠিকভাৱে প্ৰয়োগ কৰিছিল, যি উত্তৰদাতাৰ দ্বাৰা অভিযোগপত্ৰ/অতিৰিক্ত অভিযোগ দাখিল কৰাৰ আগতে সম্পূৰ্ণ হৈছিল; আৰু পৰৱৰ্তী সময়ত অনুসন্ধানকাৰী কৰ্তৃপক্ষৰ দ্বাৰা অভিযোগপত্ৰ/অতিৰিক্ত অভিযোগ দাখিল কৰিলে আপীলকাৰীৰ অখন্দনীয় অধিকাৰক পৰাজিত কৰিব নোৱাৰিব।

৫. আনহাতে, শ্ৰীযুত অমন লেখিয়ে উচ্চ ন্যায়ালয়ৰ ৰায়ৰ সমৰ্থনত যুক্তি দিছিল যে, আপীলকাৰী জিম্মাত থাকোতে আৰু ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২)-ৰ অধীনত জামিনৰ বাবে আবেদন নিষ্পত্তি কৰাৰ আগতে অতিৰিক্ত অভিযোগ দাখিল কৰা হৈছিল, সেয়েহে আপীলকাৰী- অভিযুক্তই জামিন দিয়াৰ কোনো প্ৰশ্নৰ থল নাই আৰু ফলস্বৰূপে তেওঁ জিম্মাত বন্দী হৈ থাকিবলৈ দায়বদ্ধ আছিল। তেওঁ দাবী কৰিছিল যে, ধাৰা ১৬৭(২)-ৰ অধীনত দাখিল কৰা জামিন আবেদনৰ নিষ্পত্তিৰ সময় বা তাৰিখ হৈছে অভিযুক্তজন বাধ্যতামূলক জামিনৰ অধিকাৰী হয় নে নহয় সেই কথা বিবেচনাৰ নিৰ্ণায়ক কাৰক।

৬.আমি আৰু গভীৰভাৱে ভাবি চোৱাৰ আগতে ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২)-ৰ যুক্তিবোৰ মন কৰাটো প্ৰাসঙ্গিক:

> "**ধাৰা ১৬৭, চব্বিশ ঘণ্টাৰ ভিতৰত অনুসন্ধান সম্পূৰ্ণ কৰিব নোৱাৰিলে ল'ব লগা ব্যৱস্থা-**
>
> (২) এই ধাৰাৰ অধীনত গোচৰৰ বিচাৰ কৰাৰ অধিকাৰ থাকক বা নাথাকক, যিজন দণ্ডাধীশৰ ওচৰলৈ এজন অভিযুক্ত ব্যক্তিক প্ৰেৰণ কৰা হয়, সময়ে সময়ে দণ্ডাধীশে উপযুক্ত বুলি ভবা ধৰণে সামগ্ৰিকভাৱে পোন্ধৰ দিনৰ সময়সীমাত সামৰি, অভিযুক্তক অধিকাৰ প্ৰদান কৰিব পাৰে; আৰু যদিহে তেওঁৰ গোচৰটোৰ বিচাৰ কৰিবলৈ বা বিচাৰৰ বাবে প্ৰতিশ্ৰুতি দিয়াৰ কোনো অধিকাৰ নাই, লগতে অধিক কাৰাবাস অপ্ৰয়োজনীয় বুলি বিবেচনা কৰে, তেন্তে তেওঁ অভিযুক্তজনক এনে ক্ষেত্ৰাধিকাৰ থকা দণ্ডাধীশৰ ওচৰলৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিব পাৰে:
>
> যদিহে,

(a) অন্যথা দণ্ডাধীশে আৰক্ষীৰ জিম্মাত থকাৰ বাহিৰে, অভিযুক্ত ব্যক্তিজনক আটকত ৰখাৰ অনুমোদন দিব পাৰে, যদিহে পোন্ধৰ দিনৰ ভিতৰত এনে কাম কৰাৰ বাবে পৰ্যাপ্ত যুক্তিত তেওঁ সন্তুষ্ট হয়, কিন্তু কোনো দণ্ডাধীশে এই দফাৰ অধীনত অভিযুক্ত ব্যক্তিজনক ম্যাদৰ মুঠ সময় অতিক্ৰম কৰি জিম্মাত ৰখাৰ অনুমোদন নিদিব,

(i) নব্বৈ দিন, য'ত তদন্ত মৃত্যু, আজীৱন কাৰাবাস বা দহ বছৰতকৈ কম নোহোৱা ম্যাদৰ কাৰাবাসৰ দণ্ডনীয় অপৰাধৰ সৈতে সম্পৰ্কিত;

(ii) ষাঠি দিন, য'ত তদন্ত আন যিকোনো অপৰাধৰ সৈতে সম্পৰ্কিত লগতে গোচৰ অনুসৰি নব্বৈ দিন বা ষাঠি দিনৰ উকলি যোৱাৰ পিছত, অভিযুক্ত ব্যক্তিজনক জামিনত মুকলি কৰা হ'ব যদিহে তেওঁ জামিন দাখিল কৰিবলৈ প্ৰস্তুত হয় আৰু দাখিল কৰে, আৰু এই উপধাৰাৰ অধীনত জামিনত মুকলি কৰা প্ৰতিজন ব্যক্তিক এনেদৰে মুকলি কৰা বুলি গণ্য কৰা হ'ব, যি উদ্দেশ্যৰ বাবে XXXIII অধ্যায়ৰ ব্যৱস্থাসমূহ অন্তৰ্ভূক্ত কৰা হৈছে;

(b) কোনো দণ্ডাধীশে এই ধাৰাৰ অধীনত আৰক্ষীৰ জিম্মাত অভিযুক্তক আটকত ৰখাৰ অনুমোদন নিদিব, যদিহে অভিযুক্তজনক প্ৰথমবাৰৰ বাবে ব্যক্তিগতভাৱে আৰু পৰৱৰ্তী সময়ত অভিযুক্তজন আৰক্ষীৰ জিম্মাত থকালৈকে ব্যক্তিগতভাৱে হাজিৰ কৰে, কিন্তু দণ্ডাধীশে ন্যায়িক জিম্মাত ব্যক্তিগতভাৱে বা ইলেক্ট্ৰনিক ভিডিঅ' সংযোগৰ মাধ্যমৰ জৰিয়তে অভিযুক্তৰ উপস্থিতি বাহাল ৰাখিবও পাৰে;

(c) উচ্চ ন্যায়ালয়ৰ দ্বাৰা বিশেষভাৱে ক্ষমতাপ্ৰাপ্ত নোহোৱা দ্বিতীয় শ্ৰেণীৰ কোনো দণ্ডাধীশে আৰক্ষীৰ জিম্মাত আটকৰ অনুমোদন প্ৰদান নকৰিব।

**ব্যাখ্যা I**.- সন্দেহ পৰিহাৰ কৰাৰ বাবে, ইয়াৰ দ্বাৰা ঘোষণা কৰা হৈছে যে, দফা (a)ত নিৰ্ধাৰিত ম্যাদ উকলি যোৱা স্বত্বেও, অভিযুক্তক জামিন প্ৰদান নকৰালৈকে জিম্মাত ৰখা হ'ব।

**ব্যাখ্যা II**.- যদি কোনো প্ৰশ্ন উত্থাপিত হয় যে, দফা (b)-ত বিচৰাধৰনে অভিযুক্ত ব্যক্তিক দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰোৱা হৈছিল নেকি, কাৰাবাসৰ আদেশত তেওঁৰ স্বাক্ষৰৰ দ্বাৰা বা গোচৰ অনুসৰি ইলেক্ট্ৰনিক ভিডিঅ' লিংকেজৰ জৰিয়তে অভিযুক্তৰ উপস্থিতিৰ দণ্ডাধীশৰ আদেশৰ প্ৰমাণিত প্ৰতিলিপিৰ দ্বাৰা অভিযুক্ত ব্যক্তিজনৰ উপস্থিতি প্ৰমান কৰিব পৰা যাব।

যদিহে, ওঠৰ বছৰৰ তলৰ মহিলাৰ ক্ষেত্ৰত, আটকক ৰিমাণ্ড হোম বা স্বীকৃত সামাজিক প্ৰতিষ্ঠানৰ জিম্মাত থাকিবলৈ কৰ্তৃত্ব দিয়া হ'ব।"

সাধাৰণ আইনী ভাষাত, ধাৰা১৬৭(২)-ৰ অধীনৰ প্ৰভিচো(সৰ্ত)-ত জামিন দিয়াৰ অধিকাৰক সাধাৰণতে 'ডিফল্ট জামিন' বা 'বাধ্যতামূলক জামিন' বুলি কোৱা হয় কিয়নো গোচৰটোৰ গুণাগুণ নিৰ্বিশেষে নিৰ্ধাৰিত সময়ৰ ভিতৰত অনুসন্ধানকাৰী সংস্থাৰ তদন্ত সম্পূৰ্ণ নকৰা ডিফল্ট(ভুল)ৰ বাবে ইয়াক মঞ্জুৰ কৰা হয়।

৬.১ এই বিষয়টোৰ উদ্দেশ্যত এন.ডি.পি.এছ. আইনৰ ধাৰা ৩৬এ (৪)-ত গুৰুত্ব দিয়াতোও প্ৰাসংগিক:

**"ধাৰা ৩৬এ, বিশেষ আদালতৰ দ্বাৰা বিচাৰযোগ্য অপৰাধ-**

(৪) ধাৰা ১৯ বা ধাৰা ২৪ বা ধাৰা ২৭ এ-ৰ অধীনত দণ্ডনীয় অপৰাধত অভিযুক্ত ব্যক্তিসকলৰ ক্ষেত্ৰত বা দ্ৰব্যবিশেষৰ বাণিজ্যিক পৰিমাণৰ সৈতে জড়িত অপৰাধৰ বাবে ফৌজদাৰী প্ৰক্ৰিয়া বিধি, ১৯৭৩ (১৯৭৪-ৰ ২)-ৰ ধাৰা ১৬৭-ৰ উপধাৰা (২)-ত উল্লেখ কৰা হৈছে, য'ত সেইবোৰ ঘটে তাত "নব্বৈ দিন"-ৰ প্ৰসংগত "এশ আশী দিন" বুলি গণ্য কৰা হ'ব:

যদিহে, উক্ত এশ আশী দিনৰ ভিতৰত তদন্ত সম্পূৰ্ণ কৰা সম্ভৱ নহয়, বিশেষ ন্যায়ালয়ে তদন্তৰ অগ্ৰগতি আৰু অভিযুক্তক এশ আশী দিনৰ বাহিৰত আটক কৰি ৰখাৰ নিৰ্দিষ্ট কাৰণ সূচিত কৰি চৰকাৰী অধিবক্তাৰ প্ৰতিবেদনৰ ওপৰত উক্ত ম্যাদ এবছৰলৈ বৃদ্ধি কৰিব পাৰে।"

(গুৰুত্বপূৰ্ণ উল্লেখ)

৬.২ এন.ডি.পি.এছ. আইনৰ ধাৰা ৩৬এ-ত উল্লেখ কৰা ধৰণে ফৌজদাৰী প্ৰক্ৰিয়া বিধি-ৰ পৰিৱৰ্তিত প্ৰয়োগৰ নিৰ্দেশ দিয়া হৈছে। এন.ডি.পি.এছ. আইনৰ ধাৰা ৩৬এ, উপ-ধাৰা (৪)-ৰ অধীনত কিছুমান অপৰাধৰ তদন্ত, ফৌজদাৰী প্ৰক্ৰিয়া বিধি-ৰ ধাৰা ১৬৭(২)অনুসৰি ৯০দিনৰ পৰিৱৰ্তে ১৮০ দিনৰ ভিতৰত সম্পূৰ্ণ কৰা প্ৰয়োজন। ইয়াৰ দ্বাৰা অধিক গুৰুতৰ শ্ৰেণীৰ অপৰাধৰ অনুসন্ধানৰ বাবে অতিৰিক্ত সময়সীমাৰ সুবিধা প্ৰদান কৰা হয়। ইয়াক অতিৰিক্ত প্ৰভিচো(সৰ্ত)-ৰ দ্বাৰা বৃদ্ধি কৰা হ'ব যে, যদি ৰাজহুৱা অধিবক্তাই তদন্তৰ অগ্ৰগতি সূচিত কৰা নিৰ্ধাৰিত ১৮০ দিনৰ পিছতো অভিযুক্তক আটক কৰাৰ প্ৰয়োজনীয়তাৰ নিৰ্দিষ্ট কাৰণ উল্লেখ কৰা প্ৰতিবেদন দাখিল কৰে, তেনেহ'লে বিশেষ আদালতে তদন্তৰ বাবে নিৰ্ধাৰিত সময় এবছৰলৈকে বৃদ্ধি কৰিব পাৰে। হাতত থকা বিষয়টোত, এইটো স্বীকাৰ কৰা হৈছে যে, ৰাজহুৱা অধিবক্তাই বিচাৰ আদালতৰ সন্মুখত চূড়ান্ত প্ৰতিবেদন/অতিৰিক্ত অভিযোগ দাখিল কৰাৰ বাবে এক বছৰলৈকে সময়

বৃদ্ধি কৰাৰ বাবে ১৮০দিনৰ ভিতৰত এনে কোনো প্ৰতিবেদন দাখিল কৰা নাছিল।

ওপৰোক্ত আলোচনাৰ পৰা এই কথা স্পষ্ট যে, আপীলকাৰীৰ ক্ষেত্ৰত জিম্মাৰ প্ৰথম তাৰিখৰ পৰা ১৮০দিনৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব লাগিব।

৭. **ৰবি প্ৰকাশ সিং @ অৰবিন্দ সিং বনাম বিহাৰ ৰাজ্য**, (২০১৫) ৮ এছ.চি.চি. ৩৪০-ৰ লগতে আন ৰায় কিছুমানত উল্লেখ কৰা অনুসৰি ধাৰা ১৬৭(২)-ৰ অধীনত কালগণনা কৰোঁতে ৰায় দিছে যে, অভিযুক্তক ন্যায়িক জিম্মাত প্ৰেৰণ কৰা দিনটো বাদ দিব লাগিব আৰু আদালতত চালান/অভিযোগপত্ৰ দাখিল কৰা দিনটো অন্তৰ্ভুক্ত কৰিব লাগিব।

৮. সুপ্ৰাৰ কথা উল্লেখ কৰা অনুসৰি এইকথাত বিতৰ্ক নাই যে, এই ন্যায়ালয়ৰ ওপৰোক্ত আইনী ব্যৱস্থা আৰু ৰায় অনুসৰণ কৰি, আপীলকাৰীয়ে জিম্মাৰ তাৰিখৰ পৰা ১৮০ দিন অপেক্ষা কৰিছিল (জিম্মাৰ দিন বাদদি) আৰু তাৰপিছত ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২)-ৰ অধীনত ৰাতিপুৱা ১০:৩০বজাত ০১.০২.২০১৯ তাৰিখে জামিন আবেদন দাখিল কৰে, যদিও ৩১.০১.২০১৯ বা ০১.০২.২০১৯ তাৰিখে ৰাতিপুৱা ১০-৩০ বজাতলৈকে চূড়ান্ত প্ৰতিবেদন/ অতিৰিক্ত অভিযোগ দাখিল কৰা হোৱা নাছিল। একেদিনাই, সুপ্ৰাত উল্লেখ কৰা অনুসৰি, জামিন আবেদনৰ শুনানিৰ সময়ত, উত্তৰদাতা/অভিযোগকাৰীয়ে আবেলি ৪:২৫বজাত অতিৰিক্ত অভিযোগ দাখিল কৰিছিল আৰু এনেদৰে জামিন আৱেদনখন খাৰিজ কৰিবলৈ বিচাৰিছিল।

৯. এনেদৰে এই ক্ষেত্ৰত সিদ্ধান্ত ল'ব লগা বিষয়বোৰ হৈছে:

(a) ধাৰা ১৬৭(২)-ৰ অধীনত অনুসন্ধানকাৰীৰ দ্বাৰা পৰৱৰ্তী সময়ত অতিৰিক্ত অভিযোগ দাখিল কৰাৰ দ্বাৰা আপীলকাৰীৰ ওচৰত ন্যস্ত অখন্দনীয় অধিকাৰ নিৰ্বাপিত হয় নে নহয়;

(b)(a)-ৰ উত্তৰ দিয়াৰ সময়ত তদন্তকাৰী সংস্থাৰ ভুলৰ ওপৰত ভিত্তি কৰি বা জামিনৰ বাবে আৱেদন নিষ্পত্তি কৰাৰ সময়ত ভিত্তি কৰি ন্যায়ালয়ে জামিনৰ বাবে আৱেদন দাখিল কৰাৰ সময়বিবেচনা কৰিব লাগে নে।

***I. উদয় মোহনলাল আচাৰ্য-ত নিৰ্ধাৰিত নীতিসমূহ***

১০. প্ৰাসঙ্গিক ন্যায়শাস্ত্ৰৰ পৰ্যবেক্ষণৰ পিছত, আমি শ্ৰীযুত লেখিৰ দাখিলৰ সৈতে একমত হোৱাত অক্ষম। ইয়াৰ পৰিৱৰ্তে, আমি দেখিছোঁ যে, সুপ্ৰাৰ (a) আৰু (b) যুক্তিত উল্লেখিত দুয়োটা বিষয় **উদয় মোহনলাল আচাৰ্য** (সুপ্ৰা/উপৰোক্ত) গোচৰত এই ন্যায়ালয়ৰ তিনিজনীয়া বিচাৰপীঠৰ সংখ্যাগৰিষ্ঠ মতামতৰ দ্বাৰা উত্তৰ দিয়া হৈছে এনেদৰে:

"১৩... সঞ্জয় দত্তৰ গোচৰত (সুপ্ৰা/উপৰোক্ত) সংবিধান বিচাৰপীঠে এইটোও উপস্থাপন কৰিছে যে, দাখিল কৰা চালানৰ ওপৰত অখন্দনীয় অধিকাৰ বৰ্তি নাথাকে বা বলবৎ কৰিব পৰা নাযায়, যদিহে ইতিমধ্যে লাভ কৰা হোৱা নাই। সেয়েহে বিবেচনাৰ বাবে উত্থাপিত গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল- 'যদি ইতিমধ্যে লাভ কৰা নহয়' অভিব্যক্তিটোৰ প্ৰকৃত অৰ্থ কি? ইয়াৰ অৰ্থ এইয়ে নেকি যে, এজন অভিযুক্তই জামিনৰ বাবে আবেদন দাখিল কৰে লগতে জামিনত মুকলি হোৱাৰ বাবে ইচ্ছা প্ৰকাশ কৰে অথবা ইয়াৰ অৰ্থ এইয়ে যে, জামিনৰ আদেশ প্ৰদান কৰিব লাগিব, অভিযুক্তই জামিন দাখিল কৰিব লাগিব আৰু তেওঁক জামিনত মুকলি কৰিব লাগিব? আমাৰ বিবেচনাত এজন অভিযুক্তই জামিনত মুকলি হোৱাৰ বাবে আবেদন দাখিল

কৰা আৰু জামিনৰ চৰ্ত আৰু নিয়মাৱলী মানি চলিবলৈ প্ৰস্তাৱ দিয়াৰ মুহূৰ্ততে তেওঁৰ অখন্দনীয় অধিকাৰ ব্যৱহাৰ হোৱাতো বিধায়িনী আদেশৰ সৈতে অধিক সামঞ্জস্যপূৰ্ণ হ'ব। "লাভ কৰা" অভিব্যক্তিটোৰ ব্যাখ্যাত প্ৰয়োজনীয় জামিন প্ৰদান কৰাৰ পিছত প্ৰকৃততে জামিনত মুকলি হোৱাৰ অৰ্থ কৰিলে, অভিযুক্তৰ প্ৰতি যথেষ্ট অন্যায় হ'ব আৰু ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২)-ৰ উদ্দেশ্যক পৰাজিত কৰিব আৰু লগতে এক অবৈধ জিম্মাক বৈধ কৰা হ'ব, যদিও নিৰ্ধাৰিত ম্যাদ উকলি যোৱাৰ পিছত দণ্ডাধীশৰ এনে জিম্মালৈ কোনো অধিকাৰ নাথাকিব আৰু অভিযুক্তজন কোনো বৈধ জিম্মাৰ আদেশ অবিহনে কাৰাবাসত থাকিব। ইয়াৰ উপৰিও, নিৰ্ধাৰিত ম্যাদৰ ভিতৰত কোনো চালান দাখিল নোহোৱাত, যেতিয়া এজন অভিযুক্তই তেওঁক মুকলি কৰাৰ অধিকাৰ সূচিত কৰি জামিনৰ বাবে আবেদন দাখিল কৰিলে, দণ্ডাধীশৰ কোনো দিচক্ৰিচন(বিচক্ষণতা)বাকী নাথাকে আৰু তেওঁ একমাত্ৰ এইকথা বিচাৰি উলিওৱাৰ প্ৰয়োজন যে, আইনৰ অধীনত নিৰ্ধাৰিত ম্যাদ অতিবাহিত হৈছে নে নাই, আৰু চালান দাখিল কৰা হৈছে নে নাই। যদি "লাভ কৰা" অভিব্যক্তিৰ এই অৰ্থ কৰা হয় যে, অভিযুক্তক জামিনত মুকলি কৰিব লাগিব, তেনেহ'লে এক নিৰ্দিষ্ট গোচৰত দণ্ডাধীশে ধাৰা ১৬৭-ত নিৰ্ধাৰিত সৰ্বাধিক ম্যাদ উকলি যোৱা স্বত্বেও অবৈধভাৱে আদেশ প্ৰদান কৰিবলৈ অস্বীকাৰ কৰে আৰু তথাপিও যদি কোনো চালান দাখিল কৰা হোৱা নাছিল, তেনেহ'লে অভিযুক্তজনে কেৱল উচ্চ আদালতলৈ যাব পাৰে আৰু বিষয়টো উচ্চপৰ্যায়ৰ আদালতত বিবেচনাৰ বাবে অমীমাংসিত হৈ থকাৰ সময়ত যদি অভিযুক্তপক্ষই অভিযোগপত্ৰ দাখিল কৰে, তেন্তে তদন্তকাৰী সংস্থাৰ নিষ্ক্ৰিয়তাৰ বাবে অভিযুক্তৰ তথাকথিত অধিকাৰ প্ৰাপ্ত কৰাটোও নিস্ফল হ'ব। যিহেতু, বিধানমণ্ডলে ইয়াৰ আদেশ দিছে, সেয়েহে ইয়াক বলবৎ

কৰাটো ন্যায়ালয়ৰ সীমাবদ্ধ কৰ্তব্য হ'ব আৰু "যদি লাভ কৰা নহয়" অভিব্যক্তিটো এনেদৰে ব্যাখ্যা কৰি ইয়াক অস্বীকাৰ কৰাটো ন্যায়ৰ স্বাৰ্থত নহ'ব, তাৰোপৰি অভিযোগকাৰীৰ দ্বাৰা অপপ্ৰয়োগ কৰিবলৈ সক্ষম হ'ব ... .... ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭-ৰ উপধাৰা (২)-ৰ সৰ্তত সূচিত ম্যাদ উকলি যোৱাৰ পিছত এজন অভিযুক্তক জিম্মাত ৰখাৰ কোনো ব্যৱস্থা নাই, ব্যাখ্যা ১-ত উল্লিখিত যুক্তি বাদদি, অৰ্থাৎ যদিহে অভিযুক্তজনে জামিনৰ ব্যৱস্থা নকৰে। এই অৰ্থত এইটো ক'ব পাৰি যে, ম্যাদ উকলি যোৱাৰ পিছত, যদি জামিনত মুকলি হোৱাৰ বাবে আবেদন দাখিল কৰা হয় আৰু অভিযুক্তই জামিন দাখিল কৰাৰ প্ৰস্তাৱ দিয়ে আৰু ইয়াৰ দ্বাৰা তেওঁৰ অখন্দনীয় অধিকাৰ প্ৰাপ্ত কৰে আৰু তাৰপিছত কিছুমান চৰ্ত আৰু নিয়মাৱলীত জামিনৰ আদেশ প্ৰদান কৰা হয়, কিন্তু অভিযুক্তজনে জামিন দাখিল কৰাত ব্যৰ্থ হয় আৰু সেই সময়তে চালান দাখিল কৰা হয়, তাৰপিছত সম্ভৱতঃ ক'ব পাৰি যে, অভিযুক্তৰ অধিকাৰ নিৰ্বাপিত হৈ আছিল। কিন্তু, যেতিয়ালৈকে অভিযুক্তজনে আদালতৰ উপযুক্ত আদেশৰ দ্বাৰা মুকলি হোৱাৰ পিছত জামিন প্ৰদান কৰাৰ আবেদন দাখিল কৰে, সেইসময়ত দণ্ডাধীশ নথকাৰ বাবে আৰু বিষয়টো স্থানান্তৰ নকৰাৰ বাবে অভিযুক্তৰ জামিনৰ অধিকাৰ নিস্ফল হ'ব নোৱাৰে, অথবা দণ্ডাধীশে আসোৱাহপূৰ্ণভাৱে আদেশ দিবলৈ অস্বীকাৰ কৰে আৰু বিষয়টো উচ্চন্যায়ালয়লৈ স্থানান্তৰিত কৰা হয় লগতে অন্তৰ্বৰ্তীকালীন চালান এখন দাখিল কৰা হয়। এইটোৱেই একমাত্ৰ উপায়, যাৰ সহায়ত নিৰ্ধাৰিত সময়ৰ ভিতৰত চালান দাখিল কৰাত অভিযোগকাৰীৰ বিফলতাত অভিযুক্তৰ তথাকথিত অখন্দনীয় অধিকাৰ লগতে সমাজৰ স্বাৰ্থত অভিযোগকাৰী সংস্থাৰ নিষ্ক্ৰিয়তাৰ বাবে এজন অভিযুক্তক

জামিনত মুকলি হোৱাত আইনীভাৱে বাধা দিব পৰা কাৰ্যৰ মাজত কেনেদৰে ভাৰসাম্য ৰাখিব পাৰিব।

(গুৰুত্বপূৰ্ণ উল্লেখ)

এনেদৰে অভিযুক্তৰ বাধ্যতামূলক জামিন অধিকাৰৰ ওপৰত এই ন্যায়ালয়ে **সঞ্জয় দত্ত বনাম চি.বি.আই.-ৰ জৰিয়তে ৰাজ্য**, (১৯৯৪) ৫ এছ.চি.চি. ৪১০; **হিতেন্দ্ৰ বিষ্ণু ঠাকুৰ বনাম মহাৰাষ্ট্ৰ ৰাজ্য**, (১৯৯৪) ৪ এছ.চি.চি. ৬০২; **চি.বি.আই.-ৰ জৰিয়তে ৰাজ্য বনাম মহম্মদ আশ্ৰাফত ভাট**, (১৯৯৬) ১ এছ.চি.চি. ৮৩২; **ডঃ বিপিন শান্তিলাল পাঞ্চাল বনাম গুজৰাট ৰাজ্য**, (১৯৯৬) ১ এছ.চি.চি. ৭১৮; আৰু **মহম্মদ ইকবাল মাদাৰ শ্বেখ বনাম মহাৰাষ্ট্ৰ ৰাজ্য**, (১৯৯৬) ১ এছ.চি.চি. ৭২২-এই ৰায়সমূহৰ ভিত্তিসমূহ বিবেচনা কৰাৰ লগতে গভীৰভাৱে আলোচনা কৰিছিল।

১০.১ আমি বৰ্তমানৰ উদ্দেশ্যত উক্ত ৰায়টোত ন্যায়ালয়ৰ নিম্নলিখিত সিদ্ধান্তবোৰ উদ্ধৃত কৰাটো প্ৰাসংগিক বুলি ভাৱো:

"১৩.৩ বেলেগ বেলেগ গোচৰ অনুসৰি ৯০ দিন বা ৬০ দিনৰ ম্যাদ উকলি যোৱাৰ পিছত নিৰ্ধাৰিত ম্যাদৰ ভিতৰত তদন্ত সম্পূৰ্ণ হোৱাৰ সময়ত তদন্তকাৰী সংস্থাৰ ভুলৰ বাবে জামিনত মুকলি হোৱাত অভিযুক্তৰ পক্ষত এক অখন্দনীয় অধিকাৰ লাভ হয় আৰু অভিযুক্তজন জামিনত মুকলি হোৱাৰ অধিকাৰ থাকে, যদি তেওঁ দণ্ডাধীশৰ নিৰ্দেশনা অনুসৰি জামিন দাখিল কৰিবলৈ প্ৰস্তুত হয়, লগতে দাখিলো কৰে।

১৩.৪ যেতিয়া এজন অভিযুক্তৰ দ্বাৰা তেওঁৰ অখন্দনীয় অধিকাৰ প্ৰৱৰ্তনৰ বাবে জামিন আবেদন এই ভিত্তিত দাখিল কৰে যে, নিৰ্ধাৰিত ম্যাদৰ ভিতৰত তদন্ত সম্পূৰ্ণ কৰাত অনুসন্ধানকাৰী সংস্থাৰ ভুলৰ বাবে তেওঁৰ পক্ষত অখন্দনীয় অধিকাৰ লাভ হৈছিল, প্ৰকৃততে অভিযুক্তজন

নিৰ্ধাৰিত ৯০দিন বা ৬০দিনৰ বাবে জিম্মাত আছে আৰু তদন্তকাৰী সংস্থাৰ দ্বাৰা কোনো অভিযোগপত্ৰ দাখিল কৰা হোৱা নাই- এই কথাত সন্তুষ্ট হোৱাৰ পিছত দণ্ডাধীশ/আদালতে ইয়াক তৎক্ষণাৎ নিষ্পত্তি কৰিব লাগিব। মেজিষ্ট্ৰেট/আদালতৰ ফালৰ পৰা এনে ধৰণৰ তৎক্ষণাৎ লোৱা পদক্ষেপে অভিযুক্তপক্ষক আইনখনৰ উদ্দেশ্য আৰু নিৰ্ধাৰিত ম্যাদৰ ভিতৰত তদন্ত সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত তদন্তকাৰী সংস্থাৰ ভুলৰ বাবে জামিনত মুকলি কৰা এজন অভিযুক্তৰ প্ৰতি বিধায়িনী আদেশক নিষ্ফল কৰিবলৈ সক্ষম নহ'ব।

১৩.৫ যদি, অভিযুক্তজনে দণ্ডাধীশৰ নিৰ্দেশনা অনুসৰি জামিন দাখিল কৰিবলৈ অক্ষম হয়, তেন্তে ব্যাখ্যা ১-ৰ আৰু ধাৰা ১৬৭-ৰ উপধাৰা ২-ৰ সৰ্তৰ সংযুক্ত অধ্যয়ন অনুসৰি অভিযুক্তৰ বাহাল নথকা জিম্মা অননুমোদিত নহ'ব আৰু সেয়েহে, যদি সেই সময়ছোৱাত তদন্ত সম্পূৰ্ণ হয় আৰু অভিযোগপত্ৰ দাখিল কৰা হয়, তেন্তে অভিযুক্তৰ অখন্দনীয় অধিকাৰ নিৰ্বাপিত হ'ব।

১৩.৬ সঞ্জয় দত্তৰ গোচৰত এই আদালতে ব্যৱহাৰ কৰা 'যদি ইতিমধ্যে লাভ কৰা নহয়'- অভিব্যক্তিৰ অৰ্থ বুজিব লাগিব যে, অভিযুক্তজনে আবেদন দাখিল কৰিছে আৰু নিৰ্দেশিত হোৱাৰ পিছত জামিন প্ৰদান কৰিবলৈ প্ৰস্তুত হয়। আনধৰণে ক'বলৈ হলে, ধাৰা ১৬৭-ৰ উপধাৰা (২) দফা (এ.)-ত নিৰ্ধাৰিত ম্যাদ উকলি যোৱাৰ পিছত যদি অভিযুক্তজনে জামিনৰ বাবে আবেদন দাখিল কৰে আৰু নিৰ্দেশনাৰ ভিত্তিত জামিন দাখিল কৰাৰ প্ৰস্তাৱ দিয়ে, তেতিয়া এইকথা বাহাল ৰাখিব লাগিব যে, অভিযুক্তজনে অখন্দনীয় অধিকাৰ লাভ কৰিছে যদিও ন্যায়ালয়ে উক্ত আবেদন বিবেচনা কৰা নাই আৰু জামিনৰ চৰ্ত আৰু নিয়মাৱলী সূচিত কৰা নাই, আৰু অভিযুক্তজনে প্ৰদান কৰা নাই।" (গুৰুত্বপূৰ্ণ উল্লেখ)

১০.২ **উদয় মোহনলাল আচাৰ্য** মোকৰ্দমাত অভিযুক্তৰ দ্বাৰা দাখিল কৰা বাধ্যতামূলক জামিনৰ আবেদন দণ্ডাধীশে ভুল ধাৰণাৰ ওপৰত ভিত্তি কৰি নাকচ কৰিছিল যে, ফৌজদাৰী প্ৰক্ৰিয়া সংহিতাৰ ধাৰা ১৬৭(২), মহাৰাষ্ট্ৰ জমাকৰ্তাৰ সুত সুৰক্ষা (বিত্তীয় প্ৰতিষ্ঠানত) আইন, ১৯৯৯ সম্পৰ্কীয় গোচৰৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। জামিন প্ৰত্যাখ্যানক প্ৰত্যাহ্বান জনোৱা আবেদন উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকাৰ সময়ত অভিযোগপত্ৰ দাখিল কৰা হৈছিল। সেয়েহে উচ্চ ন্যায়ালয়ে কৈছিল যে, বাধ্যতামূলক জামিন বলবৎ কৰিব পৰা অধিকাৰ বৰ্তমান নাই।

ওপৰোক্ত নীতিবোৰৰ ওপৰত ভিত্তি কৰি, সংখ্যাগৰিষ্ঠ মতামত অনুসৰি জামিনৰ বাবে আবেদন দাখিল আৰু জামিনৰ চৰ্তাৱলী মানি চলিবলৈ প্ৰস্তাৱ দিয়াৰ লগে লগে অভিযুক্তজনে ফৌজদাৰী প্ৰক্ৰিয়া সংহিতাৰ ধাৰা ১৬৭(২)-ৰ অধীনত বাধ্যতামূলক জামিনৰ অধিকাৰ প্ৰয়োগ কৰা বুলি গণ্য কৰা হয়। অভিযোগকাৰীপক্ষই পৰৱৰ্তী সময়ত অৰ্থাৎ জামিনৰ আৱেদন দণ্ডাধীশ বা উচ্চন্যায়ালয়ৰ সন্মুখত বিবেচনা বা চূড়ান্ত নিষ্পত্তিৰ উদ্দেশ্য থকা সময়ত, অভিযোগপত্ৰ বা অতিৰিক্ত অভিযোগ দাখিল কৰি ফৌজদাৰী প্ৰক্ৰিয়া সংহিতাৰ ধাৰা ১৬৭(২)-ৰ উদ্দেশ্যক ব্যৰ্থ কৰিব নোৱাৰে। সেইবাবে, এই ন্যায়ালয়ে উক্ত গোচৰত অভিযুক্ত আপীলকাৰীক সকাহ প্ৰদান কৰিছিল।

অৱশ্যে, দেখা গৈছে যে, **উদয় মোহনলাল আচাৰ্য** (সুপ্ৰা/উপৰোক্ত)-ত সংখ্যাগৰিষ্ঠলোকে উল্লেখ কৰা সিদ্ধান্ত থকা স্বত্বেও, কি নিৰ্দিষ্ট পৰিস্থিতিত বাধ্যতামূলক জামিন প্ৰদান কৰিব লাগে, বিশেষকৈ সিদ্ধান্তটোৰ ১৩.৫ আৰু ১৩.৬ দফাৰ সন্দৰ্ভত বিভ্ৰান্তি অব্যাহত আছে। সেয়েহে, আসোঁৱাহ আঁতৰোৱাৰ উদ্দেশ্যে সকলো সন্দেহ আঁতৰাই আমি

অভিযুক্তৰ দ্বাৰা এই অধিকাৰ দাবী কৰিব পৰা পৰিস্থিতিবোৰ স্পষ্ট কৰাটো প্ৰয়োজনীয় বুলি অনুভৱ কৰোঁহক।

**২. ধাৰা ১৬৭(২) আৰু জীৱনৰ মৌলিক অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতা**

১১. এই ন্যায়ালয়ৰ বিভিন্ন ৰায়ৰ দ্বাৰা ব্যাখ্যা কৰা ধাৰা ১৬৭(২)-ৰ অধীনত বাধ্যতামূলক জামিনৰ অধিকাৰৰ মাপকাঠিবোৰ বিশদভাৱে আলোচনা কৰাৰ আগতে, আমি এইকথা মন কৰাটো প্ৰাসংগিক বুলি অনুভৱ কৰোঁহক যে- **উদয় মোহনলাল আচাৰ্য** গোচৰত এই ন্যায়ালয়ে ব্যক্তি বিশেষৰ ব্যক্তিগত স্বাধীনতাৰ মৌলিক অধিকাৰ আৰু বঞ্চনাৰ প্ৰভাৱৰ ওপৰত কৰা পৰ্যৱেক্ষণ নিম্নলিখিত ধৰণৰ:

> "১৩... সংবিধানৰ অনুচ্ছেদ ২১-ৰ অধীনত নিৰ্ধাৰিত কৰা অনুসৰি, ব্যক্তিগত স্বাধীনতা হৈছে ভাৰতীয় সংবিধানৰ অন্যতম কাম্য বিষয় আৰু ইয়াৰ বঞ্চিতকৰণ কেৱল আইন অনুসৰি লগতে ব্যৱস্থাৰ সৈতে সামঞ্জস্যপূৰ্ণ হ'ব লাগে। যেতিয়া আইনে কয় যে, দণ্ডাধীশে অভিযুক্তজনক ধাৰা ১৬৭-ৰ উপধাৰা (২)-ৰ সূচিত যুক্তি অনুসৰি সৰ্বাধিক ম্যাদলৈকে জিম্মাত ৰখাৰ অনুমোদন দিব পাৰে আৰু তদন্তকাৰী সংস্থাৰ দ্বাৰা চালান দাখিল নকৰাকৈ ম্যাদৰ বাহিৰত যিকোনো আটক ছল হ'ব আৰু আইন লগতে ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ বিধান অনুসৰি নহ'ব আৰু সেয়েহে, সংবিধানৰ অনুচ্ছেদ ২১-ৰ উলংঘন হ'ব পাৰে।"

১১.১ ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ২১-ত উল্লেখ কৰা হৈছে- "*আইনৰ দ্বাৰা স্থাপিত প্ৰক্ৰিয়া অনুসৰি কোনো ব্যক্তিক তেওঁৰ জীৱন বা ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰা নহ'ব*"। মেনকা গান্ধী বনাম ভাৰত যুক্তৰাজ্য (১৯৭৮) ১ এছ.চি.চি. ২৪৮-ত আদালতৰ এক সংবিধান বিচাৰপীঠে ৰায়

দিছে যে, এনে প্ৰক্ৰিয়া স্বেচ্ছাচাৰী, ন্যায়বিহীন বা যুক্তিহীন হ'ব নোৱাৰে। ধাৰা ১৬৭(২), ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ প্ৰণয়নৰ ইতিহাস আৰু তাৰ সৰ্তত থকা 'বাধ্যতামূলক জামিন'ৰ সুৰক্ষা আভ্যন্তৰীণভাৱে অনুচ্ছেদ ২১-ৰ সৈতে সম্পৰ্কিত আৰু সাংবিধানিক সুৰক্ষাৰ এক বিধায়িনী প্ৰদৰ্শনৰ বাহিৰে আন একো নহয় যে, আইনৰ শাসনৰ (ৰোল অৱ ল) বাহিৰত কোনো ব্যক্তিক আটক কৰিব পৰা নহ'ব।

১১.২ ফৌজদাৰী প্ৰক্ৰিয়া বিধি প্ৰণয়নৰ আগতেই বলবৎ থকা ফৌজদাৰী প্ৰক্ৰিয়া বিধি, ১৮৯৮ ('বিধি ১৮৯৮')-ৰ ধাৰা ১৬৭-ৰ অধীনত এজন অভিযুক্তক আৰক্ষী বা ন্যায়িক, জিম্মালৈ প্ৰেৰণ কৰিব পৰা সৰ্বাধিক ম্যাদ আছিল- ১৫ দিন। অৱশ্যে, যিহেতু জটিল অনুসন্ধান ১৫ দিনৰ ভিতৰত সমাপ্তি কৰাটো প্ৰায়ে অকাৰ্যকৰী আছিল, এক উপায়ৰ সুবিধা আছিল য'ত অনুসন্ধানকাৰী বিষয়াসকলে জিম্মাৰ ম্যাদ উকলি যোৱাৰ পিছত 'প্ৰাৰম্ভিক অভিযোগপত্ৰ' দাখিল কৰিব। তাৰপিছত বিচাৰৰ আৰম্ভণি স্থগিত ৰাখিবলৈ ৰাজ্যই দণ্ডাধীশক অনুৰোধ কৰিব আৰু তদন্ত সম্পূৰ্ণ হোৱালৈকে আৰু চূড়ান্ত অভিযোগপত্ৰ দাখিল নোহোৱালৈকে বিধি, ১৮৯৮-ৰ ধাৰা ৩৪৪-ৰ অধীনত অভিযুক্তক পুনৰ জিম্মাত পঠিওৱাৰ কৰ্তৃত্ব প্ৰদান কৰিব। **ন্যায়িক প্ৰশাসনৰ সংস্কাৰ**(২য় সং. ১৯৪৮, পৃষ্ঠা ৭৫৮-৭৬০)-ত ভাৰতীয় বিধি আয়োগৰ প্ৰতিবেদন নং১৪ উল্লেখ কৰিছে যে, বহুক্ষেত্ৰত অভিযুক্তসকলে আদালতৰ সন্মুখত কোনো চূড়ান্ত প্ৰতিবেদন দাখিল নকৰাকৈ কেইবামাহধৰি জিম্মাত আছিল। এইকথাও আঙুলিয়াই দিয়া হৈছিল যে, যদি আৰক্ষীৰ প্ৰতিবেদন ১৫ দিনৰ ভিতৰত দাখিল কৰা নহয়, তেন্তে দণ্ডাধীশে অভিযুক্তজনক মুকলি কৰিবলৈ বাধ্য হয় নে নহয়, এই সন্দৰ্ভত ন্যায়িক মতামতত মতানক্য আছে।

সেয়েহে, আইনী আয়োগে প্ৰতিবেদন নং ১৪-ত এনেধৰণে বিশেষকৈ ১৫ দিনৰ ম্যাদ উকলি যোৱাৰ পিছত জিম্মা অব্যাহত ৰখাৰ বাবে এক উপযুক্ত ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ পৰামৰ্শ দিছিল, যাতে "*গুৰুতৰ অপৰাধৰ ক্ষেত্ৰত সম্পূৰ্ণ আৰু সঠিক তদন্তৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ সময়ত, ব্যক্তিজনৰ স্বাধীনতা সুৰক্ষিত কৰিব।*" তদুপৰি, বিধানসভাই কোনো অভিযুক্তক আটক কৰি ৰখাৰ সৰ্বাধিক সময়ৰ ম্যাদ নিৰ্ধাৰণ কৰিব লাগে, দণ্ডাধীশৰ সন্মুখত আৰক্ষীৰ প্ৰতিবেদন দাখিল নকৰাকৈ কোনো অভিযুক্তক তাৰ উপৰঞ্চি আটক কৰিব নোৱাৰি। এইটো উল্লেখ কৰা হৈছিল যে, ইংলেণ্ডত দেশদ্ৰোহৰ দৰে গুৰুতৰ অপৰাধত অভিযুক্ত এজন ব্যক্তিকো বিচাৰ আৰম্ভ নোহোৱালৈকে অনিৰ্দিষ্টকালৰ বাবে কাৰাগাৰত বন্দী কৰি ৰাখিব নোৱাৰি।

১১.৩ প্ৰতিবেদন নং ১৪-ত দিয়া পৰামৰ্শ অনুসৰি বিধি আয়োগে, **ফৌজদাৰী প্ৰক্ৰিয়া বিধি, ১৮৯৮** (১ম সং. ১৯৬৯, পৃষ্ঠা ৭৬-৭৭) সন্দৰ্ভত প্ৰতিবেদন নং ৪১-ত পুনৰুত্থাপন কৰিছিল। ধাৰা ১৬৭-ৰ অধীনত নিৰ্ধাৰিত আইনী ম্যাদ পাৰ হোৱাত 'প্ৰাথমিক প্ৰতিবেদন' দাখিল কৰি অভিযুক্তক জিম্মাত প্ৰেৰণ কৰাৰ দ্বাৰা ১৮৯৮ বিধিৰ ধাৰা ৩৪৪-ৰ অপব্যৱহাৰৰ পৰা ৰক্ষা কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত বিধি আয়োগে পুনৰ গুৰুত্ব আৰোপ কৰিছিল। এইকথা উল্লেখ কৰা হৈছিল যে, ইয়াৰ ফলত গুৰুতৰ অপব্যৱহাৰ হ'ব পাৰে কাৰণ, "*তদন্তটো লেহেমীয়া গতিত চলা সময়ত গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক এনেদৰে অনিৰ্দিষ্ট কালৰ বাবে জিম্মাত ৰাখিব পাৰি।*" সেয়েহে, আয়োগে জিম্মাৰ বাবে সৰ্বাধিক ৬০ দিনৰ সময়সীমা নিৰ্ধাৰণ কৰাৰ পৰামৰ্শ দিছিল। আয়োগে প্ৰতিবেদন নং ৩৭-ত আগতে প্ৰকাশ কৰা সংৰক্ষণৰ বিষয়ে বিবেচনা কৰিছিল যে, এনে

সম্প্ৰসাৰণৰ ফলত ৬০ দিনৰ ম্যাদ নিয়মীয়া বিষয় হৈ পৰিব পাৰে। কিন্তু, আশ্বাস দিয়া হৈছিল যে, উচ্চতম ন্যায়ালয়ৰ দ্বাৰা সঠিক তত্বাৱধানে ইয়াক বাধা দিয়াত সহায় কৰিব।

১১.৪ প্ৰতিবেদন নং ৪১-ত দিয়া পৰামৰ্শসমূহ ১৯৭০ চনত ফৌজদাৰী প্ৰক্ৰিয়া বিধি বিধেয়কৰ খচৰা প্ৰস্তুত কৰোঁতে কেন্দ্ৰীয় চৰকাৰে গুৰুত্বসহকাৰে বিবেচনা কৰি অন্তৰ্ভুক্ত কৰিছিল। অৱশেষত, ১৮৯৮ কোডৰ ঠাই বৰ্তমানৰ ফৌজদাৰী প্ৰক্ৰিয়া বিধিয়ে লয়। ফৌজদাৰী প্ৰক্ৰিয়া বিধি-ৰ বিষয়বস্তু আৰু কাৰণ বিবৃতিত উল্লেখ কৰা হৈছে যে, আইন আয়োগৰ পৰামৰ্শবোৰ মূল্যাঙ্কন কৰোঁতে চৰকাৰে নিম্নলিখিত গুৰুত্বপূৰ্ণ বিবেচনাবোৰ চালিজাৰি চাইছিল:

"৩. আয়োগৰ পৰামৰ্শবোৰ চৰকাৰে সাৱধানে পৰীক্ষা কৰিছিল, নিম্নলিখিত মৌলিক বিবেচনাবোৰ লগতে বহুতো দিশৰ প্ৰতি লক্ষ্য ৰাখি:-

(১) এজন অভিযুক্ত ব্যক্তিয়ে স্বীকৃত প্ৰাকৃতিক ন্যায়ৰ (নেচাৰেল জাচতিচ) নীতি অনুসৰি এক নিৰপেক্ষ বিচাৰ পাব লাগে;

(২) অনুসন্ধান আৰু পৰীক্ষণত বিলম্ব পৰিহাৰ কৰিবলৈ সকলো প্ৰচেষ্টা কৰিব লাগে, যি কেৱল জড়িত ব্যক্তিৰ বাবেই নহয়, সমাজৰ বাবেও ক্ষতিকাৰক; আৰু

(৩) প্ৰক্ৰিয়াটো জটিল হ'ব নালাগে আৰু যথাসম্ভৱ সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ সৈতে ন্যায্য চুক্তি নিশ্চিত কৰা উচিত।"

১১.৫ এই পৃষ্ঠভূমিত বৰ্তমানৰ ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ অন্তৰ্গত ধাৰা ১৬৭(২) প্ৰণয়ন কৰা হৈছিল, অভিযুক্তৰ জিম্মাৰ ম্যাদৰ সময়সীমা ৰখা হৈছিল, সংঘটিত অপৰাধৰ গুৰুত্বৰ সমানুপাতিক, যি বিফল হ'লে অভিযুক্তই জামিনৰ অখন্দনীয় অধিকাৰ প্ৰাপ্ত কৰে। সুপ্ৰাত উল্লেখকৰা আইন আয়োগৰ পৰামৰ্শ অনুসৰি, আইনসভাৰ উদ্দেশ্য আছিল অভিযুক্তৰ নাগৰিকৰ স্বাধীনতা

(চিভিল লিবাৰ্টি) সুৰক্ষিত কৰাৰ প্ৰয়োজনীয়তাৰ সৈতে তদন্ত সম্পূৰ্ণ কৰাৰ বাবে পৰ্যাপ্ত সময়সীমাৰ প্ৰয়োজনীয়তাৰ ভাৰসাম্য ৰক্ষা কৰা। ধাৰা ১৬৭(২)-ত এক স্পষ্ট আদেশ প্ৰদান কৰা হৈছে যে, অনুসন্ধানকাৰী সংস্থাটোৱে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰয়োজনীয় প্ৰমাণ সংগ্ৰহ কৰিব লাগিব, যাৰ বিফলতাত অভিযুক্তক আটক কৰি থব নোৱাৰিব। এই কথা নিশ্চিত কৰে যে, তদন্তকাৰী বিষয়াসকলে অধিক জিম্মাৰ সম্ভাৱনাৰ অপব্যৱহাৰ নকৰাকৈ দ্ৰুত আৰু দক্ষতাৰে কাম কৰিবলৈ বাধ্য হয়। লগতে নিশ্চিত কৰে যে, ন্যায়ালয়ে অপৰাধৰ তথ্য দিয়াৰ তাৰিখৰ পৰা কোনোধৰণৰ অপ্ৰয়োজনীয়ভাৱে বিলম্ব নকৰাকৈ গোচৰটোৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যাতে সমাজে বিশ্বাস হেৰুৱাব নোৱাৰে লগতে ফৌজদাৰী ন্যায়ব্যৱস্থাৰ প্ৰতি সন্দেহাতীত হোৱাৰ পৰা বিৰত ৰাখিব।

১১.৬ সেয়েহে, সুপ্ৰাত উল্লেখ অনুসৰি, ধাৰা ১৬৭(২) অনুচ্ছেদ ২১-ৰ অধীনত বেআইনী আৰু স্বেচ্ছাচাৰী আটকৰ বিৰুদ্ধে জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ সুৰক্ষাৰ প্ৰতিশ্ৰুতি দিয়া সাংবিধানিক প্ৰতিশ্ৰুতিৰ সৈতে অবিচ্ছেদ্যভাৱে সম্পৰ্কিত আৰু, এইকথা এনেদৰে ব্যাখ্যা কৰিব লাগিব যাতে এই উদ্দেশ্য পূৰণ কৰে। এই ক্ষেত্ৰত আমি তিনিজনীয়া বিচাৰপীঠৰ সিদ্ধান্ত- **ৰাকেশ কুমাৰ পল বনাম অসম ৰাজ্য**, (২০১৭) ১৫ এছ.চি.চি. ৬৭-ত ধাৰা ১৬৭(২), ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ বিষয়ে উল্লেখ কৰাটো উপযোগী বুলি অনুভৱ কৰোঁ যে, বৰ্তমানৰ গোচৰতকৈ কিছু পৃথক হ'লেও, কিছুমান প্ৰাথমিক নীতি নিৰ্ধাৰণ কৰিছিল। ৰাকেশ কুমাৰ পলৰ তিনিজনীয়া বিচাৰপীঠৰ সন্মুখত প্ৰশ্ন উত্থাপন হৈছিল যে, প্ৰথমতে ধাৰা ১৬৭(২)(এ)(১)ৰ অধীনত ৯০দিনৰ জিম্মাৰ সম্প্ৰসাৰণ অপৰাধৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব নেকি য'ত সৰ্বাধিক কাৰাবাসৰ ম্যাদ আছিল ১০বছৰ, যদিও

নিম্নতম ম্যাদ ১০বছৰতকৈ কম আছিল। দ্বিতীয়তে, অভিযুক্তৰ দ্বাৰা দাখিল কৰা জামিনৰ আৱেদনক বাধ্যতামূলক জামিনৰ আবেদন হিচাপে গণ্য কৰিব পাৰি নেকি, যদিও ধাৰা ১৬৭(২)-ৰ অধীনত আইনী ম্যাদৰ ম্যাদ উকলি যোৱাটো বিশেষভাৱে জামিনৰ ভিত্তি হিচাপে অনুৰোধ কৰা হোৱা নাছিল। সংখ্যাগৰিষ্ঠমত অনুসৰি উপস্থাপন কৰিছিল যে, ৯০দিনৰ সীমা কেৱল অপৰাধৰ ক্ষেত্ৰত উপলব্ধ য'ত *নিম্নতম* দহ বছৰৰ কাৰাদণ্ডৰ ম্যাদ নিৰ্ধাৰণ কৰা হয়, আৰু উচ্চ ন্যায়ালয়ৰ সন্মুখত অভিযুক্তৰ পৰামৰ্শদাতাই কৰা বাধ্যতামূলক জামিনৰ বাবে লিখিত আবেদনৰ সলনি মৌখিক যুক্তিয়েই পৰ্যাপ্ত হ'ব। এই যুক্তিৰ ভিত্তি এইয়ে যে, ব্যক্তিগত স্বাধীনতাৰ ক্ষেত্ৰত ন্যায়ালয়ে অত্যাধিক কাৰিকৰী দিশ অৱলম্বন কৰিব নালাগে। ন্যায়াধীশ মদন বি. লোকুৰে তেওঁৰ সংখ্যাগৰিষ্ঠ মতামতত, প্ৰাসঙ্গিকভাৱে নিম্নলিখিত মত দিছে:

"২৯. তথাপিও, চব্বিশ ঘণ্টাৰ ভিতৰত আৰু অন্যথা সময়সীমাৰ ভিতৰতো অনুসন্ধান সম্পূৰ্ণ কৰাৰ মৌলিক বিধায়িনী অভিপ্ৰায় অপৰিৱৰ্তিত হৈ আছে, যদিও, সেই ম্যাদ বিগত বছৰবোৰত বৃদ্ধি কৰা হৈছে। ই এইকথা ইংগিত কৰে যে, তদন্ত সম্পূৰ্ণ কৰিবলৈ পৰ্যাপ্ত সময় দিয়াৰ উপৰিও বিধানমণ্ডলে ব্যক্তিগত স্বাধীনতাক সদায়েই অগ্ৰাধিকাৰ দিয়ে আৰু সদায়ে অনুভৱ কৰিছে যে, এজন অভিযুক্তৰ ক্ষেত্ৰত দীঘলীয়া বা অনিৰ্দিষ্ট সময়ৰ বাবে জিম্মাত থকাটো অন্যায় হ'ব। এইকাৰণে তদন্তকাৰী সংস্থাটোক জবাবদিহি কৰাটোও উপস্থাপিত হয় যে, বিধানমণ্ডলৰ দ্বাৰা সময়সীমা নিৰ্ধাৰণ কৰা হৈছে...

×××

৩২... দীৰ্ঘম্যাদী সময়ৰ বাবে এনেধৰণৰ মতামত আৰু মতামতে বিধানমণ্ডলক এক শতিকাৰো অধিককাল ধৰি তদন্তৰ দ্ৰুত সমাপ্তি নিশ্চিত কৰিবলৈ উদ্বুদ্ধ কৰিছে, যাতে এজন অভিযুক্ত ব্যক্তিয়ে (পুং. বা ম.)নকৰা অপৰাধৰ বাবে দীঘলীয়া জিম্মাত থাকি অপ্ৰয়োজনীয়ভাৱে তেওঁৰ ব্যক্তিগত

স্বাধীনতাৰ পৰা বঞ্চিত কৰা নহয়। আমাৰ মতে, আমাৰ সন্মুখত থকা সমগ্ৰ বিতৰ্কটো অনুসন্ধানৰ দ্ৰুত-সমাপ্তিৰ দৃষ্টিকোণৰ পৰা লগতে ব্যক্তিগত স্বাধীনতাৰ দিশৰ পৰা চাব লাগিব, ৰাজ্যৰ পক্ষত বিজ্ঞ পৰামৰ্শদাতাৰ দ্বাৰা প্ৰচাৰ কৰা বিশুদ্ধ অভিধানিক বা পাঠ্য দৃষ্টিকোণৰ পৰা নহয়।

×××

৪১. আমি এই দৃষ্টিভংগী মনত ৰাখিছো যে, ব্যক্তিগত স্বাধীনতা আৰু সংবিধানৰ অনুচ্ছেদ ২১ৰ ক্ষেত্ৰত, আনুষ্ঠানিকতাবাদী বা কাৰিকৰী হোৱাটো সদায়ে উচিত নহয়। এই আদালত আৰু অন্যান্য সাংবিধানিক আদালতৰ ব্যক্তিগত স্বাধীনতা ন্যায়শাস্ত্ৰৰ ইতিহাসত মুখ্য ন্যায়াধীশ বা আদালতলৈ সম্বোধন কৰা আবেদনত হেবিয়াছ কৰ্পছ(বন্দীপ্ৰত্যক্ষীকৰণ)-ৰ ৰিট (লেখ)লগতে অন্যান্য লেখৰ বাবে আবেদন অন্তৰ্ভুক্ত হৈ আছে।"

(গুৰুত্বপূৰ্ণ উল্লেখ)

সেয়েহে, আদালতে অনুচ্ছেদ ২১-ত সন্নিবিষ্ট অধিকাৰবোৰক স্পৰ্শ কৰা যিকোনো বিষয় বিবেচনা কৰি এক কঠোৰ বা আনুষ্ঠানিক দৃষ্টিভংগী অৱলম্বন কৰিব নোৱাৰে।

১১.৭ আমি এই আদালতৰ **এছ. কাচি বনাম আৰক্ষী পৰিদৰ্শক সময়নাল্লুৰ আৰক্ষী থানা মাদুৰাই জিলাৰ জৰিয়তে ৰাজ্য** (১৯ জুন, ২০২০ তাৰিখৰ ফৌজদাৰী আপীল নং ৪৫২), ২০২০ এছ.চি.চি. অনলাইন এছ.চি. ৫২৯-ৰ ৰায়ৰ উল্লেখ কৰিব পাৰো, য'ত কোৱা হৈছে যে, ধাৰা ১৬৭(২)-ৰ অধীনত বাধ্যতামূলক জামিনৰ অখন্দনীয় অধিকাৰ, অনুচ্ছেদ ২১-ৰ অধীনত ব্যক্তিগত স্বাধীনতাৰ অধিকাৰৰ এক অবিচ্ছেদ্য অংশ আৰু বৰ্তমানে চলি থকা মহামাৰী দৰে পৰিস্থিতিৰ সময়তো এই জামিনৰ অধিকাৰ স্থগিত কৰিব নোৱাৰি। এইকথাত গুৰুত্ব দিয়া হৈছিল যে, অভিযুক্তৰ স্বাধীনতা

ৰক্ষাৰ অধিকাৰ ৰাজ্যৰ তদন্ত চলাবলৈ আৰু অভিযোগপত্ৰ দাখিল কৰাৰ অধিকাৰতকৈ প্ৰাধান্য পায়।

১১.৮ তাৰোপৰি, এইকথা ভালদৰে নিষ্পত্তি কৰা হৈছে যে, কোনো দণ্ডবিধি প্ৰণয়নৰ অস্পষ্টতাৰ ক্ষেত্ৰত প্ৰতিজন অভিযুক্ত আৰু ৰাজ্যিক চালিকাশক্তিৰ মাজত সৰ্বব্যাপী ক্ষমতাৰ বৈষম্যৰ পৰিপ্ৰেক্ষিতত, আদালতে অভিযুক্তৰ অধিকাৰ সুৰক্ষিত কৰাৰ দিশত থকা ব্যাখ্যাৰ পক্ষ ল'ব লাগিব। এইটো কেৱল চাবস্টেনচিভ (ব্যৱহৰ্য্য) দণ্ডবিধিসমূহৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়, কিন্তু অভিযুক্তৰ স্বাধীনতা হ্ৰাস কৰা প্ৰক্ৰিয়াৰ ক্ষেত্ৰতো প্ৰযোজ্য।

ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ সন্দৰ্ভত, বিশেষকৈ বস্তু আৰু কাৰণৰ বিবৃতি (সুপ্ৰা/উপৰোক্ত) হৈছে নিৰ্মাণৰ এক গুৰুত্বপূৰ্ণ কাৰক। ধাৰা ১৬৭(২) বিধানমণ্ডলৰ দ্বাৰা প্ৰকাশিত তিনিটা উদ্দেশ্যৰ কথা মনত ৰাখি ব্যাখ্যা কৰিব লাগিব, যেনে- এক নিৰপেক্ষ বিচাৰ নিশ্চিত কৰা, দ্ৰুত তদন্ত আৰু পৰীক্ষণ, আৰু সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ এক যুক্তিসঙ্গত প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰা। এইবোৰ অনুচ্ছেদ ২১-ৰ অধীনত নিশ্চিত কৰা সৰ্বাত্মক মৌলিক অধিকাৰৰ অংশৰ বাহিৰে আন একো নহয়।

১১.৯ সেয়েহে, অনুচ্ছেদ ২১-ৰ অধীনত জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ মৌলিক অধিকাৰক অগ্ৰাধিকাৰ দিয়া দৃষ্টিকোণৰ পৰাই আমি বৰ্তমানৰ ক্ষেত্ৰত উদ্ভৱ হোৱা দ্বিধা আঁতৰোৱাৰ উদ্দেশ্যে ধাৰা ১৬৭(২)-ৰ বিভিন্ন ন্যায়িক ব্যাখ্যাৰ স্পষ্টীকৰন আৰু পুনঃ অৱলোকন কৰিম।

**৩. সঞ্চয় দতত "যদি ইতিমধ্যে লাভ কৰা নহয়"-ৰ অৰ্থ**

১২. ধাৰা ১৬৭(২)-ৰ অধীনত অধিকাৰ প্ৰাপ্তি আৰু নিৰ্বাপিত হোৱাৰ প্ৰশ্নৰ সৈতে সম্পৰ্কিত প্ৰাসঙ্গিক সিদ্ধান্তবোৰৰ ভিতৰত এটা হ'ল- হিতেন্দ্ৰ বিষ্ণু ঠাকুৰৰ (সুপ্ৰা/উপৰোক্ত) দুগৰাকী ন্যায়াধীশৰ বিচাৰপীঠৰ ৰায়। সেই

ক্ষেত্ৰত, আদালতক সন্ত্ৰাসবাদী আৰু ব্যাঘাতকাৰীৰ পৰিসৰ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৮৭ ('টি.এ.দি.এ.')-ৰ ধাৰা ২০(৪)(বি.বি.) ব্যাখ্যা কৰিবলৈ আহ্বান জনোৱা হৈছিল, যি এন.ডি.পি.এছ. আইনৰ ধাৰা ৩৬এ (৪)যুক্তিৰ সৈতে *ইন পৰি মেটেৰিয়া* (একে অৰ্থৰ) হয়। আদালতে কৈছিল যে, জামিন বিচৰা এজন অভিযুক্ত ব্যক্তিয়ে টাডাৰ ধাৰা ২০(৮) আৰু ধাৰা ১৬৭(২)-ৰ সৈতে বাধ্যতামূলক জামিন আবেদন কৰিব লাগিব আৰু গোচৰটোৰ গুণাগুণৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ চাৰ্জশ্বীট দাখিলৰ ম্যাদ উকলি গ'লে, ৰাজহুৱা অধিবক্তালৈ জাননী পঠিয়াই, গোচৰৰ স্থিতিলৈ মন নিদি আদালতে অভিযুক্তজনক জামিনত মুক্তি দিব। অন্যথা ন্যায়ালয়ে ৰাজহুৱা অধিবক্তাৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি সময়সীমাৰ সম্প্ৰসাৰণ প্ৰদান নকৰিলে, টাডা(টি.এ.দি.এ.)-ৰ অধীনত মনোনীত আদালতৰ অভিযুক্তক তেওঁৰ বাধ্যতামূলক জামিনৰ অখন্দনীয় অধিকাৰ অস্বীকাৰ কৰাৰ কোনো ক্ষেত্ৰাধিকাৰ নাথাকিব, যদিহে অভিযুক্তজনে বিচাৰে আৰু আদালতৰ নিৰ্দেশনা অনুসৰি জামিন নামা দাখিল কৰিবলৈ প্ৰস্তুত হয়। লগতে, এনে পৰিস্থিতিত, ন্যায়ালয়ে অধিক জিম্মাৰ বাবে যিকোনো অনুৰোধ প্ৰত্যাখ্যান কৰিবলৈ বাধ্য। অৱশ্যে, এইটোও স্পষ্টভাৱে কোৱা হৈছিল যে, ন্যায়ালয়ে অভিযুক্তজনক নিজে মুকলি কৰিব নোৱাৰে যদি অভিযুক্তজনে তেনে কোনো আবেদন দাখিল নকৰে।

১২.১ পৰৱৰ্তী সময়ত ধাৰা ২০(৪)(বি.বি.) সঠিকভাৱে গঠনৰ প্ৰশ্নটো সঞ্জয় দত্ত (সুপ্ৰা/উপৰোক্ত)-ত এই আদালতৰ সংবিধান বিচাৰপীঠলৈ প্ৰেৰণ কৰা হৈছিল। আদালতৰ আগত সংৰক্ষণৰ বিষয় প্ৰকাশ কৰি কয় যে, হিতেন্দ্ৰ বিষ্ণু ঠাকুৰৰ (সুপ্ৰা/উপৰোক্ত) ৰায়, চূড়ান্ত প্ৰতিবেদন বা চালান দাখিল কৰাৰ পিছতো অভিযুক্তক বাধ্যতামূলক জামিনত মুকলি কৰাৰ

অখন্দনীয় অধিকাৰ প্ৰদান কৰা হিচাপে অনুষ্ঠিত কৰিব নালাগে। এই বিষয়টো নিষ্পত্তি কৰিবলৈ, সংবিধান বিচাৰপীঠে কয় যে:

> "৪৮... এনে পৰিস্থিতিত অভিযুক্তৰ লগত যুক্ত অখন্দনীয় অধিকাৰ কেৱল চালান দাখিল কৰাৰ আগতেহে প্ৰযোজ্য হয় আৰু যদি ইতিমধ্যে লাভ কৰা নহয়, এই অধিকাৰ জীয়াই নাথাকে বা দাখিল কৰা চালানৰ ভিত্তিত প্ৰযোগ্য নহয়। চালান দাখিল কৰাৰ পিছত, জামিন মঞ্জুৰকৰাৰ প্ৰশ্নটো বিবেচনা কৰিব লাগিব আৰু কেৱল চালান দাখিল কৰাৰ পিছত এজন অভিযুক্তক জামিন প্ৰদান সম্পৰ্কীয় ব্যৱস্থাৰ অধীনত গোচৰটোৰ গুণাগুণৰ সন্দৰ্ভত সিদ্ধান্ত ল'ব লাগিব। চালান দাখিল কৰাৰ পিছত অভিযুক্তৰ জিম্মা- ধাৰা ১৬৭-ৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়, কিন্তু ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ বিভিন্ন ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। যদি, সেই অধিকাৰ অভিযুক্তৰ ওচৰত জমা হৈছিল কিন্তু, চালান দাখিল নোহোৱালৈকে ইয়াক বলবৎ কৰা হোৱা নাছিল, তেনেহ'লে ইয়াৰ প্ৰৱৰ্তনৰ কোনো প্ৰশ্নই নাই, কিয়নো চালান দাখিল কৰাৰ মুহূৰ্ততে নিৰ্বাপিত কৰা হয় কাৰণ, ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭-ৰ প্ৰয়োগ বন্ধ হয়... সংবিধান বিচাৰপীঠৰ সিদ্ধান্তৰ দ্বাৰা নিষ্পত্তি কৰা হৈছে যে, অভিযুক্তক জিম্মা বা আটকৰ বৈধ আদেশৰ অনুপস্থিতিৰ ভিত্তিত হেবিয়াছ কৰ্পছৰ ৰিট (বন্দী প্ৰত্যক্ষীকৰণৰ লেখ) বিচৰা আৱেদনখন খাৰিজ কৰিব লাগিব, যদি নিয়মটো ৰিটাৰ্ন অৱ ৰুল (বলৱৎ কৰা) তাৰিখত, জিম্মা বা আটক এক বৈধ আদেশৰ আধাৰত হয়।

×××

৫৩...(২)(বি.) হিতেন্দ্ৰ বিষ্ণু ঠাকুৰ গোচৰত টি.এ.ডি.এ. (টাডা) আইনৰ ধাৰা ২০(৮)(বি.বি.) লগতে ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২) অনুসৰি জামিনত মুকলি কৰিব লগা অভিযুক্তৰ 'অখন্দনীয় অধিকাৰ', অভিযুক্তৰ বাবে থাকে আৰু অভিযুক্তৰ দ্বাৰা সময়ে সময়ে ব্যৱহাৰ হয়, চালান দাখিল কৰিলেই ই বৰ্তি নাথাকিব বা বলৱৎ নহ'ব আৰু অভিযুক্তৰ দ্বাৰা কেৱল ডিফল্ট (ভুল)-ৰ সময়ৰ পৰা চালান দাখিল কৰালৈকে প্ৰয়োগযোগ্য আৰু ই জীয়াই নাথাকে বা দাখিল কৰা চালানৰ ওপৰত বলবৎ কৰিব পৰা নাযায়। যদি, অভিযুক্তজনে এই ব্যৱস্থাৰ অধীনত ১৮০দিনৰ ম্যাদ উকলি যোৱাত বৰ্ধিত ম্যাদৰ জামিনৰ বাবে আবেদন কৰে, যিহেতু গোচৰটোত ভিত্তিত হ'ব পাৰে, তেনেহ'লে তেওঁক তৎক্ষণাৎ জামিনত মুকলি কৰিব লাগিব। ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ব্যৱস্থা অনুসৰি জামিনত মুকলি কৰা অভিযুক্তজনক গ্ৰেপ্তাৰ আৰু জিম্মাত ৰখাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'ব পাৰে। চালান দাখিল কৰাৰ পিছত অভিযুক্তৰ জামিনত মুকলি কৰাৰ অধিকাৰ, অনুমোদিত সময়ৰ ভিতৰত দাখিল কৰাত ভুল হোৱা স্বত্বেও, চালান দাখিল কৰাৰ সময়ৰ পৰা কেৱল সেই পৰ্যায়ত প্ৰযোজ্য জামিন মঞ্জুৰ সম্পৰ্কীয় ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত হয়।"

(গুৰুত্বপূৰ্ণ উল্লেখ)

দেখা গৈছে যে, "*যদি ইতিমধ্যে লাভ কৰা নহয়*" উক্তি উল্লেখ কৰা সুপ্ৰা বিবাদৰ মূলবিষয় হৈ পৰিছে, কিয়নো জামিনৰ বাবে আবেদন দাখিল কৰাৰ লগে লগে বাধ্যতামূলক জামিনৰ অধিকাৰ প্ৰাপ্ত কৰা হ'ল নে নাই সেইবিষয়ে আদালতৰ মতৰ ভিন্নতা আছে; বা যেতিয়া জামিন আবেদনখন

অৱশেষত আদালতৰ দ্বাৰা নিষ্পত্তি কৰা হয়; বা কেৱল তেতিয়াহে যেতিয়া অভিযুক্তজনে প্ৰকৃততে আদালতৰ নিৰ্দেশনা অনুসৰি জামিন প্ৰদান কৰে আৰু জিম্মাৰ পৰা মুকলি হয়।

১২.২ **উদয় মোহনলাল আচাৰ্য** (সুপ্ৰা/উপৰোক্ত)-ৰ সংখ্যাগৰিষ্ঠ মতামতে এই অনিশ্চয়তা স্পষ্ট কৰি কয় যে, **সঞ্জয় দত্ত** (সুপ্ৰা/উপৰোক্ত)-ত এই আদালতে ব্যৱহাৰ কৰা "*যদি ইতিমধ্যে লাভ কৰা নহয়*" অভিব্যক্তিটোৰ অৰ্থ *"যেতিয়া অভিযুক্তজনে আবেদন দাখিল কৰে আৰু নিৰ্দেশিত হোৱাৰ বাবে জামিন প্ৰদান কৰিবলৈ প্ৰস্তুত হয়*" বুজাব লাগিব। সেই ক্ষেত্ৰত, এইকথা উপস্থাপন কৰিব লাগিব যে, অভিযুক্তজনে তেওঁৰ অখন্দনীয় অধিকাৰ প্ৰয়োগ কৰিছে যদিও ন্যায়ালয়ে উক্ত আবেদনটো বিবেচনা কৰা নাই আৰু জামিনৰ চৰ্ত আৰু নিয়মাৱলী সূচিত কৰা নাই, তাৰোপৰি যিবোৰ অভিযুক্তজনে এতিয়াও দাখিল কৰিবলৈ বাকী।

১২.৩ অৱশ্যে, ন্যায়াধীশ বি.এন. আগৰৱালৰ সংখ্যালঘু মতামত আংশিকভাৱে সংখ্যাগৰিষ্ঠৰ সৈতে অমিল হৈছিল, বিশেষকৈ **উদয় মোহনলাল আচাৰ্য** (সুপ্ৰা/উপৰোক্ত)-ৰ দফা ১৩.৬-ত প্ৰকাশিত সিদ্ধান্তৰ সন্দৰ্ভত মতপ্ৰকাশ কৰে যে, ধাৰা ১৬৭(২)(এ)(২) "*অভিযুক্ত ব্যক্তিজন যদি জামিন দাখিল কৰিবলৈ প্ৰস্তুত হয় আৰু <u>জামিন প্ৰদানো কৰে</u>*" (গুৰুত্বপূৰ্ণ উল্লেখ) আৰু ১৬৭(২) ধাৰাৰ "*অভিযুক্তক তেওঁ জামিন প্ৰদান নকৰালৈকে জিম্মাত ৰখা হ'ব*"- বাক্যাংশটোৰ ১নং ব্যাখ্যাত সূচিত কৰে যে, জামিনত মুক্তি দিয়াৰ অধিকাৰ কেৱল প্ৰকৃত জামিনতহে প্ৰয়োগ কৰিব পাৰিব।" তদুপৰি, **সঞ্জয় দত্ত** (সুপ্ৰা/উপৰোক্ত) ৰায়ৰ সংবিধানিক বিচাৰপীঠখনৰ সিদ্ধান্তত ব্যাখ্যা কৰিব লাগে যে, যদি জামিনত মুক্তিৰ নিৰ্দেশ দিয়া যিকোনো আদেশ গৃহীত হোৱাৰ আগতে আৰু জামিননামা দাখিল কৰাৰ

আগতে চালান দাখিল কৰা হয়, ধাৰা ১৬৭(২)-ৰ অধীনত অধিকাৰ অভিযুক্তৰ বাবে উপলব্ধ হৈ নাথাকিব।

১২.৪ দুয়োটা মতামত বিবেচনা কৰি, আমি এই সিদ্ধান্তত উপনীত হৈছো যে, **উদয় মোহনলাল আচাৰ্য** (সুপ্ৰা/উপৰোক্ত)-ত সংখ্যাগৰিষ্ঠ মতামত হৈছে, **সঞ্জয় দত্ত** (সুপ্ৰা/উপৰোক্ত)-ৰ সংবিধান বিচাৰপীঠে প্ৰদান কৰা ৰায়ৰ সঠিক ব্যাখ্যা। **সঞ্জয় দত্ত-**ৰ সিদ্ধান্তই কেৱল অভিযুক্তৰ ওপৰত এক ইতিবাচক অনুৰূপ বাধ্যবাধকতা প্ৰদান কৰে যে, তদন্তৰ নিৰ্ধাৰিত ম্যাদ উকলি যোৱাৰ লগে লগে বাধ্যতামূলক জামিনৰ বাবে তৎক্ষাণিক আবেদন কৰিব। যিহেতু, **হিতেন্দ্ৰ বিষ্ণু ঠাকুৰ** (সুপ্ৰা/উপৰোক্ত)-ৰ সিদ্ধান্তই স্পষ্টভাৱে সতৰ্ক কৰি দিছে, আদালতে অভিযুক্তজন জামিন দাখিল কৰিবলৈ সাজু নে নাই বিবেচনা নকৰাকৈ নিজাববীয়াকৈ জামিন প্ৰদান কৰিব নোৱাৰে। এইটো ধাৰা ১৬৭(২)-ৰ ভিতৰত এক অন্তৰ্নিহিত সুৰক্ষা যিয়ে নিশ্চিত কৰে যে, পৰৱৰ্তী অনুসন্ধানৰ বাবে বা বিচাৰৰ বাবে উপস্থিতি নিশ্চিত কৰিবলৈ সক্ষম অভিযুক্তক ন্যায়ালয়ৰ আশ্বাস প্ৰাপ্ত নকৰাকৈ স্বয়ংক্ৰিয়ভাৱে জিম্মা অথবা গোচৰমৰ্মে বিচাৰৰ পৰা মুকলি কৰা নহ'ব। তদুপৰি, **ৰাকেশৰ কুমাৰ পল** (সুপ্ৰা/উপৰোক্ত)-ত সংখ্যাগৰিষ্ঠ মতামত দিয়াৰ দৰে যে, বিৰল ঘটনা সংঘটিব হ'ব পাৰে য'ত অভিযুক্তজনে জিম্মাৰ বাহিৰত বা আন কোনো কাৰণত তেওঁৰ ব্যক্তিগত নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ বাবে স্বেচ্ছাই তেওঁৰ জামিনৰ অধিকাৰ ত্যাগ কৰে। **সঞ্জয় দত্ত-**ৰ সিদ্ধান্তই স্পষ্ট কৰে যে, এবাৰ অভিযোগপত্ৰ দাখিল কৰাৰ পিছত, অভিযুক্তৰ দ্বাৰা কৰা অধিকাৰৰ এনে ত্যাগ চূড়ান্ত হ'ব লগতে ধাৰা ১৬৭(২)-ৰ প্ৰয়োগ ৰদ হ'ব।

অৱশ্যে, **সঞ্জয় দত্ত**-ৰ সংবিধান বিচাৰপীঠৰ সিদ্ধান্তক এনেদৰে ব্যাখ্যা কৰিব নোৱাৰি যে, আনকি য'ত অভিযুক্তজনে ধাৰা ১৬৭(২)-ৰ অধীনত তৎক্ষাণিকভাৱে অধিকাৰ প্ৰয়োগ কৰিছে আৰু জামিন দাখিল কৰিবলৈ ইচ্ছুকতা প্ৰকাশ কৰিছে, তেনেক্ষেত্ৰতো আবেদনৰ সিদ্ধান্ত লোৱাত পলম হোৱা বা ইয়াৰ ভুল প্ৰত্যাখ্যানৰ বাবে তেওঁক জামিন অস্বীকাৰ কৰিব পাৰি। অথবা জামিনৰ আবেদন দাখিল কৰাৰ দিনাই আৰক্ষীৰ প্ৰতিবেদন দাখিল কৰা বা অতিৰিক্ত অভিযোগ দাখিল কৰাৰ ক্ষেত্ৰত অভিযোগকাৰীপক্ষৰ চক্ৰান্তত তেওঁক জিম্মাত ৰাখিব নোৱাৰিব।

১২.৫ ৰাজ্যৰ যুক্তি অনুসৰি- "লাভ কৰা" অভিব্যক্তিৰ অৰ্থ হ'ব কেৱল প্ৰয়োজনীয় জামিন প্ৰদান কৰাৰ পিছত প্ৰকৃত মুক্তি, অভিযুক্তৰ প্ৰতি গুৰুতৰ অন্যায় কৰা হ'ব আৰু ফৌজদাৰী প্ৰক্ৰিয়া বিধি-ৰ ধাৰা ১৬৭(২)-ৰ উদ্দেশ্যক পৰাজিত কৰিব। শ্ৰীযুত লেখিৰ যুক্তি স্বীকাৰ কৰিলে বহুতো উদাহৰণ চকুত পৰিব- য'ত ৰাজহুৱা অধিবক্তাই ৰাজ্যখনত অন্তৰ্বৰ্তী সময়ত আদালতৰ সন্মুখত অতিৰিক্ত অভিযোগ বা তদন্ত প্ৰতিবেদন দাখিল কৰাত সহায় কৰিবলৈ জামিনৰ বাবে আবেদনৰ শুনানি দীঘলীয়া কৰিব পৰা যাব। কিছুমান ক্ষেত্ৰত, ন্যায়ালয়ে প্ৰক্ৰিয়াটো কোনো কাৰণত পলম কৰিব পাৰে। এনে পৰিস্থিতিত, অভিযুক্তৰ পক্ষত জামিনৰ আদেশ পোৱা অখন্দনীয় অধিকাৰ মোচন হ'ব। এইটো বিধানমণ্ডলৰ উদ্দেশ্য হ'ব নোৱাৰিলেহেঁতেন। যদি এনে ধৰণৰ প্ৰথাৰ অনুমতি দিয়া হয়, তেন্তে অবৈধ জিম্মাক আইনী বুলি গণ্য কৰাৰ সমান হ'ব। নিৰ্ধাৰিত ম্যাদ উকলি যোৱাৰ পিছত, আদালতৰ অভিযুক্তক জিম্মালৈ প্ৰেৰণ কৰাৰ আৰু কোনো অধিকাৰ নাই। নিৰ্ধাৰিত ম্যাদৰ ভিতৰত আপীলকাৰীৰ বিৰুদ্ধে তদন্ত প্ৰতিবেদন/অভিযোগ

দাখিল নকৰাৰ নিজৰ ডিফল্ট (ভুল)-ৰ সুবিধা ল'বলৈ অভিযুক্তপক্ষক অনুমতি দিয়া নহ'ব।

১২.৬ এইটো ন্যায়াধীশ বি.এন. আগৰৱালাই **উদয় মোহনলাল আচাৰ্য**(সুপ্ৰা/উপৰোক্ত)-ৰ মতামতত উল্লেখ কৰিছিল যে, পাৰ্থক্য উলিয়াব পাৰি যিবোৰ গোচৰত ন্যায়ালয়ে অভিযুক্তৰ অধিকাৰ খাৰিজ কৰিবলৈ লেহেমীয়া কৌশল গ্ৰহণ কৰিছে আৰু যিবোৰ গোচৰত জামিনৰ আবেদনৰ সিদ্ধান্ত লোৱাত পলম হৈছে। পূৰ্বৰ গোচৰত, অভিযুক্তজনে উপযুক্ত সিদ্ধান্ত বিচাৰি উচ্চতম ন্যায়ালয়লৈ যাব পাৰে। আনহাতে, পিছৰটোত যদি অভিযুক্তপক্ষই সময়ৰ ভিতৰতে চালান দাখিল কৰে তেন্তে ন্যায়ালয়ে জামিন আবেদন খাৰিজ কৰিব লাগিব। একেধৰণে, বৰ্তমানৰ ক্ষেত্ৰত উত্তৰদাতা/ অভিযোগকাৰীয়েও পাৰ্থক্য কৰিবলৈ চেষ্টা কৰিছে যে, **উদয় মোহনলাল আচাৰ্য** আৰু ধাৰা ১৬৭(২) সম্পৰ্কীয় এই ন্যায়ালয়ৰ পৰৱৰ্তী ৰায়বোৰ এই ভিত্তিত হই যে, বিচাৰ আদালতে জামিন আবেদন দাখিল কৰাৰ দিনাই বিবেচনা কৰিছিল, আৰু সেয়েহে কোনোধৰণৰ অন্যায় বিলম্ব হোৱা নাছিল যাৰ ফলত অভিযুক্তক জামিনত মুকলি কৰাৰ অধিকাৰ দিব পৰা যাব।

আমাৰ মতামত অনুসৰি, এনে পাৰ্থক্য গ্ৰহণ কৰিব নোৱাৰি কিয়নো ই জামিনৰ আবেদন বিলম্বিত কৰাৰ বাবে আদালতৰ মত, বা নিৰ্দিষ্ট সময়ত এটা নিৰ্দিষ্ট তাৰিখত শুনানিৰ বাবে পোষ্ট (নিৰ্ধাৰণ) কৰাৰ বাবে পৃথক অনুসন্ধানৰ প্ৰয়োজনীয়তা থকা সমান্তৰাল মোকৰ্দমাৰ জন্ম দিব। জামিনৰ আবেদনৰ সিদ্ধান্ত লোৱাত পলম হোৱাৰ কেইবাটাও কাৰণ হ'ব পাৰে আৰু সকলো পৰিস্থিতিত ইয়াৰ স্পষ্ট উত্তৰ নাথাকিব পাৰে। সেয়েহে, জামিন আবেদনৰ সিদ্ধান্ত লোৱাত পলম হোৱাৰ কাৰণ নিৰ্বিশেষে, অভিযুক্তজনে জামিন আবেদন দাখিল কৰাৰ পিছত তেওঁৰ অখন্দনীয়

অধিকাৰ প্ৰয়োগ কৰা বুলি গণ্য কৰা হয়, যদিও তেওঁৰ জিম্মাৰ পৰা প্ৰকৃত মুক্তি অৱশ্যেই জামিন মঞ্জুৰ কৰা আদেশ অনুসৰণ সাপেক্ষেহে হয়।

১২.৭ আমি **ৰাকেশ কুমাৰ পল** (সুপ্ৰা/উপৰোক্ত)-ত প্ৰকাশ কৰা মতামতৰ সৈতে একমত যে, এক সতৰ্কতামূলক পদক্ষেপ হিচাপে, লাভৰ লগে লগে, পলম নকৰাকৈ অভিযুক্তৰ পৰামৰ্শদাতা আৰু দণ্ডাধীশে অভিযুক্তক ধাৰা ১৬৭(২)-ৰ অধীনত অভিযুক্তৰ অখন্দনীয় অধিকাৰ লাভৰ কথা অৱগত কৰা উচিত। বিশেষকৈ য'ত অভিযুক্তজন সমাজৰ এক পিছপৰা শ্ৰেণীৰ আৰু তেওঁৰ আইনী অধিকাৰৰ বিষয়ে তথ্য লাভ কৰাৰ সম্ভাৱনা নাই। দণ্ডাধীশসকলৰ দ্বাৰা এনে ধৰণৰ জ্ঞান আদান-প্ৰদানে অভিযুক্তপক্ষৰ যিকোনো বিতৰ্কিত কৌশল বিফল কৰিব আৰু লগতে নিশ্চিত কৰিব যে, সংবিধানৰ অনুচ্ছেদ ২১-ৰ অধীনত বৰ্ণনা কৰা দায়বদ্ধতা আৰু ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ উদ্দেশ্য আৰু কাৰণৰ বিবৃতি বৰ্তাই ৰখা হ'ব।

**<u>৪. ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ১৬৭(২) ধাৰাৰ ব্যাখ্যা ১</u>**

১৩. এইটো সঁচা যে, ধাৰা ১৬৭(২)ৰ ব্যাখ্যা ১-ত, ফৌজদাৰী প্ৰক্ৰিয়া বিধিয়ে প্ৰদান কৰে যে, অভিযুক্তজনে জামিন দাখিল নকৰালৈকে জিম্মাত ৰখা হ'ব। অৱশ্যে, সুপ্ৰাত উল্লেখ কৰা অনুসৰি, উদয়মোহনলাল আচাৰ্যৰ সংখ্যাগৰিষ্ঠ মতামতে স্পষ্ট কৰে যে, ধাৰা ১৬৭(২)-ৰ ব্যাখ্যা ১ কেৱল সেই পৰিস্থিতিবোৰৰ ক্ষেত্ৰতহে প্ৰযোজ্য, য'ত অভিযুক্তজনে তেওঁৰ বাধ্যতামূলক জামিনৰ অধিকাৰ লাভ কৰিছে আৰু আদালতৰ নিৰ্দেশনা অনুসৰি জামিন দাখিল কৰিবলৈ যোজা কৰিছে, কিন্তু পৰৱৰ্তী সময়ত আদালতে নিৰ্ধাৰণ কৰা সময়ৰ ভিতৰত জামিন আদেশৰ চৰ্ত আৰু নিয়মাৱলী পালন কৰাত ব্যৰ্থ হৈছে। আমি সংখ্যাগৰিষ্ঠৰ দৃষ্টিভংগীৰ সৈতে সহমতত আছোঁ। এনে পৰিস্থিতিত, যদি অভিযুক্তপক্ষই পৰৱৰ্তী সময়ত

অভিযোগপত্ৰ দাখিল কৰে, তেন্তে ক'ব পাৰি যে, অভিযুক্তজনে ধাৰা ১৬৭(২), ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ অধীনত তেওঁৰ জামিনৰ অধিকাৰ হেৰুৱাইছে। ব্যাখ্যা ১, কেৱল এক সুৰক্ষা- যাৰ সহায়ত অভিযুক্তক জামিনৰ আদেশ পালন নকৰাকৈ তাৎক্ষণিকভাৱে জিম্মাৰ পৰা মুকলি কৰা নহয়।

১৩.১ অৱশ্যে, ধাৰা ১৬৭(২) আৰু ১নং ব্যাখ্যাত 'অভিযুক্তই জামিন প্ৰদান কৰে' অভিব্যক্তিটোৰে বুজাব নোৱাৰিব যে, অভিযুক্তজনে সাজু আৰু ইচ্ছুক হোৱা স্বত্বেও, যদি দণ্ডাধীশৰ সন্মুখত জামিনৰ আবেদন স্থগিত ৰখাৰ বাবে বা তেওঁৰ জামিনআবেদন প্ৰত্যাখ্যানৰ প্ৰত্যাহ্বান উচ্চন্যায়ালয়ৰ সন্মুখত স্থগিত থকাৰ বাবে জামিন দাখিল কৰিব নোৱাৰে, জিম্মাত তেওঁৰ নিৰৱচিন্ন কাৰাৱন্দিত্ব নায্য বুলি গণ্য হ'ব। যদি, এনে ব্যাখ্যা স্বীকাৰ কৰা হয়, ধাৰা ১৬৭(২)-ত প্ৰভিচো (সৰ্ত)-ৰ প্ৰয়োগ কেৱল সেই গোচৰবোৰতে সীমাবদ্ধ থাকিব য'ত দণ্ডাধীশে তাৎক্ষণিকভাৱে জামিনৰ সিদ্ধান্ত ল'বলৈ সক্ষম হয়, আদালতৰ সন্মুখত ইয়াক অগ্ৰাধিকাৰ দিয়াৰ লগে লগে আবেদন কৰা হ'ব, যি কেতিয়াবা আদালতত ডকেটৰ পেণ্ডেন্সি বা আন কাৰণত লজিষ্টিকভাৱে সম্ভৱ নহ'বও পাৰে। তদুপৰি, জামিনৰ বাবে আবেদনৰ সিদ্ধান্ত কেৱল চৰকাৰী অধিবক্তাক জাননী দিয়াৰ পিছতহে ল'ব লাগিব। প্ৰভিচোৰ এনে কঠোৰ ব্যাখ্যাই অভিযুক্তৰ অধিকাৰ কমাব। সেয়েহে তেওঁৰ জামিনত মুকলি হোৱাৰ অধিকাৰ কেৱল এইকাৰণে ৰদ কৰিব নোৱাৰিব এই যুক্তিত যে, জামিন দাখিল কৰাৰ আগতেই অভিযোগকাৰীপক্ষই অভিযোগপত্ৰ দাখিল কৰিছে আৰু বণ্ড দাখিলেৰে জামিনৰ চৰ্তাৱলী আদি পূৰণ কৰি, আদালতৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত জামিনৰ ব্যৱস্থা কৰিছে।

১৩.২ সেয়েহে, আমি শ্ৰীযুত লেখিৰ যুক্তি অস্বীকাৰ কৰোঁ যে, আপীলকাৰী-অভিযুক্তজন, ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২)-ৰ সুৰক্ষাৰ

অধিকাৰী নহয়, যদি তেওঁ অতিৰিক্ত অভিযোগ দাখিল কৰাৰ সময়ত জামিন দাখিল নকৰে।

**V. ধাৰা ১৬৭(২), ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ লগতে ধাৰা ৩৬(এ) (৪), এন.ডি.পি.এছ. আইনৰ অধীনত প্ৰচেকিউটৰ (অধিবক্তা)-ৰ অধিকাৰ**

১৪. হিতেন্দ্ৰ বিষ্ণু ঠাকুৰ (সুপ্ৰা/উপৰোক্ত)-ত প্ৰকাশ মতামতৰ বাবেও কিছু বিতৰ্ক দেখা গৈছে যে, ৰাজহুৱা অধিবক্তাই এখন প্ৰতিবেদন দাখিল কৰি অনুসন্ধানৰ বাবে সময় বৃদ্ধি বিচৰা প্ৰতিবেদনৰ দ্বাৰা বাধ্যতামূলক জামিন প্ৰদান কৰাত বাধা দিব পাৰে। আদালতে মতপ্ৰকাশ কৰে যে:

> "৩০... অৱশ্যে, চৰকাৰী অধিবক্তাই আদালতৰ সন্মুখত সেই উদ্দেশ্যৰ বাবে প্ৰতিবেদন দাখিল কৰি (বি.বি.)ধাৰাৰ অধীনত সম্প্ৰসাৰণ বিচাৰি জামিন মঞ্জুৰ প্ৰতিৰোধ কৰাটো অনুমোদিত। অৱশ্যে, আদালতৰ দ্বাৰা কোনো অভিযুক্তক তেওঁৰ মতামত *জাননী জাৰি অবিহনে* উক্ত (বি.বি.) ধাৰাৰ অধীনত সম্প্ৰসাৰণৰ বাবে কৰা প্ৰাৰ্থনাৰ সন্দৰ্ভত কোনো সম্প্ৰসাৰণ প্ৰদান কৰা নহ'ব। <u>এই বিষয়টোৰ সন্দৰ্ভত ধাৰা ২০(৪)-ৰ অধীনত 'ডিফল্ট' (ভুল)-ৰ ভিত্তিত জামিনৰ বাবে আবেদন প্ৰথমে দাখিল কৰা হ'ব নে দফা (বি.বি.)-ৰ অধীনত কৰা চৰকাৰী অধিবক্তাৰ সম্প্ৰসাৰণৰ প্ৰতিবেদন প্ৰথমে দাখিল কৰা হ'ব, এই কথা অপ্ৰয়োজনীয় যেতিয়ালৈকে জামিন প্ৰদান বা অস্বীকাৰ কৰোঁতে দুয়োটা কথা বিবেচনা কৰা হয়।</u> যদি, ধাৰা ২০(৪)ৰ দফা (বি.)-ৰ দ্বাৰা নিৰ্ধাৰিত ম্যাদ উকলি গৈছে আৰু আদালতে দফা (বি.বি.)ৰ অধীনত কৰা চৰকাৰী অধিবক্তাৰ *প্ৰতিবেদনৰ* ওপৰত সম্প্ৰসাৰণ প্ৰদান নকৰে, আদালতে অভিযুক্তজনক জামিনত মুকলি কৰিব

কিয়নো অভিযুক্তক এনেদৰে মুকলি কৰাটো এক অখন্দনীয় অধিকাৰ। আনকি য'ত আদালতে (বি.বি.) ধাৰাৰ অধীনত সম্প্ৰসাৰণ প্ৰদান কৰে, কিন্তু বৰ্ধিত ম্যাদৰ ভিতৰত অভিযোগপত্ৰ দাখিল কৰা নহয়, আদালতৰ ওচৰত অভিযুক্তজনক জামিনত মুকলি কৰাৰ বাহিৰে কোনো বিকল্প নাথাকিব, যদিহে তেওঁ স্বইচ্ছাই আৰু আদালতৰ নিৰ্দেশনা অনুসৰি জামিন দাখিল কৰিবলৈ প্ৰস্তুত হয়..."

(গুৰুত্বপূৰ্ণ উল্লেখ)

সঞ্জয় দত্তৰ (সুপ্ৰা/উপৰোক্ত) সংবিধান বিচাৰপীঠে ইয়াক নিশ্চিত কৰিছিল, য'ত এইটো কোৱা হৈছিল যে ডিফল্ট (বাধ্যতামূলক) জামিন মঞ্জুৰ কৰাটো সময় বৃদ্ধিৰ বাবে প্ৰাৰ্থনা অস্বীকাৰৰ ভিত্তিত কৰা হ'ব, যদি এনে প্ৰাৰ্থনা কৰা হয়। এইটোৱে ভুল ধাৰণাৰ জন্ম দিয়ে যে, সঞ্জয় দত্তই (সুপ্ৰা/উপৰোক্ত) এই দৃষ্টিভংগীক সমৰ্থন কৰে যে, অভিযুক্তজনে তদন্ত সম্পূৰ্ণ কৰাৰ বাবে সময় বৃদ্ধি বিচাৰিব পাৰে (প্ৰাসঙ্গিক বিশেষ আইনৰ অধীনত প্ৰদান কৰা অনুসৰি) বা অভিযুক্তক জামিনত মুকলি কৰাৰ আগতে যিকোনো সময়তে চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব পাৰে, যদিও ডিফল্ট (ভুল)-ৰ ভিত্তিত ইতিমধ্যে জামিনৰ আবেদন দাখিল কৰা হৈছে।

১৪.১ বাধ্যতামূলক জামিনৰ আবেদন আৰু ৰাজহুৱা অধিবক্তাৰ সময় বৃদ্ধিৰ আবেদন একেলগে বিবেচনা কৰিব লাগিব, এই বিষয়ে **হিতেন্দ্ৰ বিষ্ণু ঠাকুৰ** (সুপ্ৰা/উপৰোক্ত) আৰু **সঞ্জয় দত্ত** (সুপ্ৰা/উপৰোক্ত)-ত কৰা পৰ্যৱেক্ষণ, আমাৰ মানত কেৱল এনে পৰিস্থিতিত প্ৰযোজ্য- য'ত ৰাজহুৱা অধিবক্তাই অভিযুক্তৰ দ্বাৰা বাধ্যতামূলক জামিনৰ বাবে আৱেদন দাখিল কৰাৰ *আগতেই*

সময় বৃদ্ধি বিচাৰি প্ৰতিবেদন দাখিল কৰে। এনে পৰিস্থিতিত, তদন্ত সম্পূৰ্ণ কৰাৰ ম্যাদ উকলি যোৱা স্বত্বেও, দুয়োটা আবেদন একেলগে বিবেচনা কৰিব লাগিব। অৱশ্যে, য'ত অভিযুক্তজনে ইতিমধ্যে বাধ্যতামূলক জামিনৰ বাবে আবেদন কৰিছে, প্ৰচিকিউট (অধিবক্তা)-ৰ পৰৱৰ্তী সময়ত চূড়ান্ত প্ৰতিবেদন, অতিৰিক্ত অভিযোগ বা সময় বৃদ্ধি বিচৰা প্ৰতিবেদন দাখিল কৰি তেওঁৰ অখন্দনীয় অধিকাৰ প্ৰৱৰ্তনক ৰদ কৰিব নোৱাৰিব।

১৪.২ ইয়াত এই কথা উল্লেখ কৰিব লাগিব আৰু অভিযুক্তপক্ষই ইতিমধ্যে আদালতৰ পৰা সময়বৃদ্ধিৰ নিৰ্দেশ প্ৰাপ্ত কৰিছে; বা নিৰ্ধাৰিত ম্যাদ উকলি যোৱাৰ আগতে নিৰ্ধাৰিত আদালতত চালান দাখিল কৰা হৈছে; বা নিৰ্ধাৰিত ম্যাদ প্ৰকৃততে উকলি যোৱা নাই বুলি চৰকাৰী অধিবক্তাই আদালতক সন্তুষ্ট কৰিবলৈ ধাৰা ১৬৭(২)-ত বাধ্যতামূলক জামিনৰ বাবে কৰা আবেদনৰ ওপৰত ৰাজ্যক জাৰী কৰা জাননী- এক সৰ্ব-স্বীকৃত। অভিযোগকাৰীপক্ষই সেই অনুসৰি আদালতক কথিত ডিফল্ট (ভুল)-ৰ ভিত্তিত জামিন প্ৰদান কৰাত অস্বীকাৰ কৰিবলৈ অনুৰোধ কৰিব পাৰে। এনেধৰণৰ জাননী জাৰী কৰিলে অভিযুক্তজনে কিছুমান তথ্য ইচ্ছাকৃতভাৱে বা অসাৱধানতাৰে দমন কৰি বাধ্যতামূলক জামিন লাভ কৰাৰ সম্ভাৱনা এৰাই চলিব, লগতে বাৰাম্বাৰ উল্লেখৰ পৰা ৰক্ষা কৰিব।

অৱশ্যে, চৰকাৰী অধিবক্তাসকলক ধাৰা ১৬৭(২)-ৰ অধীনত দাখিল কৰা জামিন আবেদনৰ ওপৰত ন্যায়ালয়ে তেওঁলোকক জাৰি কৰা সীমিত জাননীৰ অপব্যৱহাৰ কৰাৰ অনুমতি দিব নোৱাৰি, প্ৰক্ৰিয়াবোৰ টানি নি 'অতিৰিক্ত সময় ক্ৰয়' কৰাৰ উদ্দেশ্যে পৰৱৰ্তী আবেদন/প্ৰতিবেদন দাখিল

কৰি আৰু তদন্তকাৰী সংস্থাৰ দ্বাৰা তদন্তত ত্ৰুটি পূৰণ কৰাত সহায় কৰিব পাৰিব।

## VI. ধাৰা ১৬৭(২)-ৰ অধিকাৰৰ সৈতে সম্পৰ্ক থকা অন্যান্য প্ৰাসঙ্গিক দৃষ্টান্তসমূহ

১৫. **মহম্মদ ইকবাল মাদাৰ শ্বেখ বনাম মহাৰাষ্ট্ৰ ৰাজ্য**, (সুপ্ৰা/উপৰোক্ত)-ত এই আদালতৰ তিনিজনীয়া বিচাৰপীঠৰ সিদ্ধান্তৰ দ্বাৰা আমি আমাৰ ওপৰোক্ত সিদ্ধান্তত অটল হৈ আছো। এই ৰায়ত যদিও অভিযোগপত্ৰখন, টি.এ.ডি.এ. (টাডা) আইনৰ ধাৰা ২০(৪)(বি.বি.)-ৰ অধীনত উল্লিখিত আইনী ম্যাদ উকলি যোৱাৰ পিছত দাখিল কৰা হৈছিল, এই কথা স্বীকাৰ কৰিছিল যে, আপীলকাৰীৰ দ্বাৰা জামিনৰ বাবে কোনো আগতীয়া আবেদন দাখিল কৰা হোৱা নাছিল। সেয়েহে ন্যায়ালয়ে **সঞ্জয় দত্ত** ৰায়ত ভিত্তি কৰি কৈছিল যে, অভিযোগপত্ৰ দাখিল কৰাৰ পিছত আৰু কগনিযেন্স (বিচাৰত সোধাৰ ক্ষমতা) লোৱাৰ পিছত জামিনৰ অধিকাৰ প্ৰয়োগ কৰিব নোৱাৰিব।

অৱশ্যে, একে সময়তে, তিনিজনীয়া-বিচাৰপীঠে উদ্বিগ্নতাৰে প্ৰকাশ কৰে যে, আদালতবোৰে অভিযোগপত্ৰ দাখিল নকৰালৈকে জামিনৰ বাবে আবেদন স্থগিত ৰখাৰ দৰে প্ৰক্ৰিয়াত জড়িত হ'ব নোৱাৰে, যাতে অভিযুক্তৰ ওচৰত লাভ কৰা আইনী অধিকাৰ পৰাজিত হয়। যদি ন্যায়ালয়ে ইচ্ছাকৃতভাৱে জামিনআবেদনৰ সিদ্ধান্ত নলয়, কিন্তু অভিযোগকাৰীক অতিৰিক্ত সময়দি গোচৰটো স্থগিত ৰাখে, তেন্তে ই আইনী আদেশৰ উলংঘন হ'ব। এইটো মনকৰিবলগীয়া যে, **মহম্মদ ইকবাল মাদাৰ শ্বেখ**ৰ তিনিজনীয়া বিচাৰপীঠো **সঞ্জয় দত্ত**ৰ সংবিধান বিচাৰপীঠৰ অংশ আছিল।

১৫.১ একেদৰে, **ড. বিপিন শান্তিলাল পাঞ্চাল** (সুপ্ৰা/উপৰোক্ত)-ত এই কথা স্বীকাৰ কৰা হৈছিল যে, ধাৰা ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ১৬৭(২)-ৰ অধীনত অধিকাৰ প্ৰাপ্তিৰ সময়ত অভিযুক্তজনে জামিনৰ বাবে আবেদন দাখিল কৰা নাছিল। অভিযুক্তজনে তেওঁৰ অধিকাৰ লাভ কৰিবলৈ বিচৰাৰ আগতেই অভিযোগপত্ৰখন দাখিল কৰা হৈছিল। ঘটনাক্ৰমে, **মহম্মদ ইকবাল মাদাৰ শ্বেখ** (সুপ্ৰা/উপৰোক্ত)-ত মতামত প্ৰদান কৰা একেখন তিনিজনীয়া বিচাৰপীঠ, যিখন বিচাৰপীঠ **সঞ্জয় দত্ত** (সুপ্ৰা/উপৰোক্ত)-ৰ সংবিধান বিচাৰপীঠৰ অংশ আছিল, নিম্নলিখিত ধৰণে ৰায় প্ৰদান কৰিছে:

> "৪... কিন্তু, এইটো এটা সৰ্বস্বীকৃত মতামত যে, ২৩-৫-১৯৯৪-ত অভিযোগপত্ৰ দাখিল কৰা হৈছে আৰু এতিয়া আপীলকাৰীজন সংহিতাৰ অন্যান্য ব্যৱস্থাৰ অধীনত প্ৰদান কৰা জিম্মাৰ আদেশৰ ভিত্তিত কাৰাবাসত আছে। <u>সংহিতাৰ ধাৰা ১৬৭-ৰ উপধাৰা (২)-ৰ অধীনত জামিনত মুকলি হোৱাৰ অধিকাৰ থকা অভিযুক্তজনে অধিকাৰ প্ৰাপ্ত হোৱাৰ সময়ত, আবেদন নকৰা প্ৰক্ৰিয়াটোৰ পিছৰ পৰ্যায়ত সেই অধিকাৰ প্ৰয়োগ কৰিব পাৰিবনে, যি *সঞ্জয় দত্ত বনাম চি.বি.আই.-ৰ জৰিয়তে ৰাজ্য...*-ৰ ক্ষেত্ৰত এই আদালতৰ সংবিধান বিচাৰপীঠে পৰীক্ষা কৰিছে।</u>
>
> ... সেয়েহে, যদি এজন অভিযুক্ত ব্যক্তিয়ে আইনৰ দ্বাৰা অনুমোদিত সৰ্বাধিক সময়ৰ ভিতৰত অভিযোগপত্ৰ দাখিল কৰাত অভিযোগকাৰীপক্ষৰ বিফলতাৰ বাবে জামিনত মুকলি হোৱাৰ অধিকাৰ প্ৰয়োগ কৰাত বিফল হয়, তেন্তে তেওঁ যুক্তি দিব নোৱাৰিব যে, মাজতে অভিযোগপত্ৰ দাখিল কৰা স্বত্বেও যিকোনো সময়তে এই সুবিধা ব্যৱহাৰ কৰাৰ তেওঁৰ অখন্দনীয় অধিকাৰ

আছে। কিন্তু, *আছলাম বাবালাল দেশাই বনাম মহাৰাষ্ট্ৰ ৰাজ্যত* উল্লেখ কৰা অনুসৰি-যদি তেওঁ আইনৰ দ্বাৰা অনুমোদিত সময়ৰ ভিতৰত অধিকাৰ প্ৰয়োগ কৰে আৰু এনে পৰিস্থিতিত জামিনত মুক্তি দিয়া হয়, তেন্তে কেৱল অভিযোগপত্ৰ দাখিল কৰাৰ পিছত তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰিব নোৱাৰিব।"

(গুৰুত্বপূৰ্ণ উল্লেখ)

ওপৰোক্ত আলোচনাটোৱে আমাৰ দৃষ্টিভংগীক স্পষ্টভাৱে সমৰ্থন কৰে, আৰু **উদয় মোহনলাল আচাৰ্য-**ৰ সংখ্যাগৰিষ্ঠ দৃষ্টিভংগী অনুসৰি, ধাৰা ১৬৭(২)-ৰ অধীনত অধিকাৰ প্ৰাপ্ত হোৱাৰ মুহূৰ্ততে অভিযুক্তজনে ডিফল্ট (ভুল)-ৰ বাবে আবেদন কৰিব লাগিব বুলি লোৱা যুক্তি **সঞ্জয় দত্ত** সিদ্ধান্তত কেৱল সতৰ্কতামূলক নীতি হিচাপে নিৰ্ধাৰণ কৰা হৈছে। যদি তেওঁ এনে কৰিবলৈ ব্যৰ্থ হয়, অভিযোগকাৰীপক্ষই অভিযোগপত্ৰ দাখিল কৰাৰ পিছত তেওঁ কাৰ্যক্ৰমৰ পৰৱৰ্তী পৰ্যায়ত অধিকাৰ দাবী কৰিব নোৱাৰে। "*এনে অধিকাৰ প্ৰাপ্তহোৱাৰ সময়ত আবেদন নকৰিলেও পিছৰ পৰ্যায়ত সেই অধিকাৰ প্ৰয়োগ কৰিব পাৰে*"- শব্দবোৰে স্পষ্টভাৱে সূচায় যে, অভিযুক্তজনে ইয়াৰ বাবে আবেদন কৰাৰ পিছত জামিনৰ অধিকাৰ প্ৰয়োগ কৰা বুলি গণ্য কৰা হয়।

১৫.২ **মহম্মদ আশ্ৰাফত ভাট** (সুপ্ৰা/উপৰোক্ত); **আতিফ নাছিৰ মুল্লা বনাম মহাৰাষ্ট্ৰ ৰাজ্য**, (২০০৫) ৭ এছ.চি.চি. ২৯; আৰু **মুস্তাক আহমেদ মহম্মদ ইচাক বনাম মহাৰাষ্ট্ৰ ৰাজ্য**, (২০০৯) ৭ এছ.চি.চি. ৪৮০-ক্ষেত্ৰত ন্যায়ালয়ৰ সিদ্ধান্তসমূহ উল্লেখ কৰাটো সুবিধাজনক হয়। **মহম্মদ আশ্ৰাফত ভাট**-ৰায়ত আদালতে আৰক্ষীৰ প্ৰতিবেদন ইতিমধ্যে দাখিল কৰা হোৱাৰ বাবে জামিন আবেদন নাকচ কৰিছিল। **সঞ্জয় দত্ত**

(সুপ্রা/উপৰোক্ত)-ৰ ওপৰত ভিত্তি কৰা হৈছিল। একেদৰে, **আতিফ নাছিৰ মুল্লা**-ত ন্যায়ালয়ে কৈছিল যে, বাধ্যতামূলক জামিন আবেদন কৰাৰ আগতেই যিহেতু, এন.ডি.পি.এছ. আইনৰ ৩৬এ (৪) লগত *ইন পাৰি মেতেৰিয়া* (সমাৰ্থক), সন্ত্ৰাসবাদ প্ৰতিৰোধ আইন, ২০০২('পোটা')-ৰ ধাৰা ৪৯(২)(বি.)-ৰ অধীনত সময় সম্প্ৰসাৰণৰ আদেশ আগতেই গৃহীত হৈছিল বাবে অভিযুক্তজনে জামিন লাভ নকৰিব। **মুস্তাক আহমেদ মহম্মদ ইচাক**-ত আদালতে একেদৰে মহাৰাষ্ট্ৰ সংগঠিত অপৰাধ নিয়ন্ত্ৰণ আইন, ১৯৯৯ৰ ধাৰা ২১(২)(বি)-ৰ অধীনত জামিনৰ আবেদন নাকচ কৰিছিল, যিহেতু অভিযোগপত্ৰখন একেদিনাই দাখিল কৰা হৈছিল, কিন্তু সেই দিনটো বিশেষ আদালতৰ দ্বাৰা প্ৰদান কৰা ম্যাদ সম্প্ৰসাৰিত কৰাৰ অন্তিম দিন আছিল আৰু সেয়েহে আইনী সময়সীমাৰ আওতাৰ ভিতৰত ধৰা হৈছিল।

১৫.৩ আনহাতে **চৈয়দ মহম্মদত আহমাদ কাজমী বনাম ৰাজ্য (দিল্লীৰ এনচিটি চৰকাৰ**), (২০১২) ১২ এছ.চি.চি. ১,-ত অভিযুক্তজনে ১৭.০৭.২০১২ তাৰিখে বাধ্যতামূলক জামিনৰ বাবে আবেদন দাখিল কৰিছিল। চিফ মেট্ৰ'পলিটান মেজিষ্ট্ৰেট (মুখ্য দণ্ডাধীশ, মহানগৰ)-এ, উক্ত তাৰিখত আৱেদনৰ শুনানিৰ পৰিৱৰ্তে, ১৮.০৭.২০১২-ৰ বাবে পুনৰশুনানিৰ জাননী দিছিল। ১৮.০৭.২০১২-তাৰিখে এন.ডি.পি.এছ আইনৰ ধাৰা ৩৬এ (৪)-ৰ প্ৰভিচোৰ সৈতে *ইন পাৰি মেতেৰিয়া* (সমাৰ্থক) বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৬৭ ('ইউ.এ.পি.এ.')-ৰ ধাৰা ৪৩ডি (২)(বি)-ৰ অধীনত ৰিমাণ্ড (জিম্মা) বৃদ্ধি ৰখাৰ বাবে ৰাজ্যই আবেদন দাখিল কৰিছিল। দণ্ডাধীশে দুয়োটা বিষয় ২০.০৭.২০১২ তাৰিখে গ্ৰহণ কৰিছিল আৰু পূৰ্বৱৰ্তী প্ৰভাৱৰ সৈতে ০২.০৬.২০১২ তাৰিখৰ পৰা ফৌজদাৰী প্ৰক্ৰিয়া

বিধি-ৰ ধাৰা ১৬৭(২)-ৰ অধীনত আবেদনটো বিবেচনা নকৰাকৈ জিম্মা বৃদ্ধিৰ বাবে আবেদনৰ অনুমতি দিছিল। পৰৱৰ্তী সময়ত, অভিযোগপত্ৰখন ৩১.০৭.২০১২ তাৰিখে দাখিল কৰা হৈছিল। **সঞ্জয় দত্ত**-ত কোৱাৰ দৰে বিদ্বান অতিৰিক্ত ছলিচিটৰ জেনেৰেলৰ দ্বাৰা নিৰ্ভৰশীলতাৰ যুক্তি দিয়া হৈছিল যে, সময় বৃদ্ধিৰ বাবে আবেদন দাখিল কৰাৰ পিছত জামিনৰ অধিকাৰ নিৰ্বাপিত হৈছিল।

তিনিজনীয়া বিচাৰপীঠে ওপৰোক্ত যুক্তিটো নাকচ কৰে আৰু কয় যে, জামিনৰ আবেদন দাখিল কৰাৰ সময়ত অভিযুক্তৰ জামিনৰ অধিকাৰ, তদন্ত সম্পূৰ্ণ কৰাৰ সময় বৃদ্ধিৰ বাবে পৰৱৰ্তী আবেদনৰ দ্বাৰা প্ৰভাৱিত নহয়। লগতে, সেই ক্ষেত্ৰত দণ্ডাধীশে গ্ৰহণ কৰা বিলম্বৰ কৌশলক ন্যায়ালয়ে নিম্নলিখিতধৰণে স্পষ্টভাৱে নিন্দা কৰিছিল:

> "২৫. সংশ্লিষ্ট পক্ষৰ হৈ কৰা দাখিল, আইনৰ প্ৰাসঙ্গিক ব্যৱস্থা আৰু উদ্ধৃত সিদ্ধান্তৰ বিষয়ে সাৱধানে বিবেচনা কৰাৰ পিছত, আমি বিজ্ঞ অতিৰিক্ত ছলিচিটৰ জেনেৰেল- শ্ৰীযুত ৰাভালৰ দ্বাৰা ৰাজ্যৰ হৈ আগবঢ়োৱা উক্তিবোৰ গ্ৰহণ কৰিবলৈ অপাৰগ। এই সত্যটো অস্বীকাৰ কৰিব নোৱাৰি যে, ১৭.০৭.২০১২-ত যেতিয়া অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ দ্বাৰা ২০১২চনৰ চি.আৰ. নং ৮৬ অনুমোদিত হৈছিল আৰু আপীলকাৰীৰ জিম্মা অবৈধ বুলি গন্য কৰা হৈছিল আৰু ধাৰা ১৬৭(২), ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ অধীনত জামিন মঞ্জুৰ কৰাৰ বাবে আবেদন কৰা হৈছিল লগতে যি শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছিল। আবেদনৰ শুনানিৰ পৰিৱৰ্তে, মুখ্য মেট্ৰ'পলিটান মেজিষ্ট্ৰেটে সেইটো পিছদিনালৈকে স্থগিত ৰাখিছিল,

যেতিয়া চৰকাৰী অধিবক্তাই জিম্মা আৰু তদন্তৰ ম্যাদ বৃদ্ধিৰ বাবে আবেদন দাখিল কৰিছিল আৰু ২০.০৭.২০১২-ত তদন্তৰ ম্যাদ আৰু ২৬.০২.২০১২ পৰা পূৰ্বৱৰ্তী প্ৰভাৱৰ সৈতে আপীলকাৰীৰ জিম্মা ৯০ দিনৰ বাবে বৃদ্ধি কৰিছিল। কেৱল মুখ্য মেট্ৰ'পলিটান মেজিষ্ট্ৰেটৰ আদেশৰ পুনৰাবৃত্তি অযোগ্য নহয়, ই আপীলকাৰীক জিম্মাত লোৱা তাৰিখৰ পৰা ৯০ দিনৰ ম্যাদ উকলি যোৱাৰ সময়ত আপীলকাৰীৰ প্ৰাপ্ত অধিকাৰকো পৰাস্ত কৰিব নোৱাৰিলে। *সঞ্জয় দত্ত* ৰায়ত এই আদালতে মন্তব্য কৰাৰ দৰে এনে অধিকাৰ আৰু বিজ্ঞ অতিৰিক্ত ছলিচিটৰ জেনেৰেলৰ দ্বাৰা উদ্ধৃত আন গোচৰবোৰত অভিযোগপত্ৰ দাখিল কৰাৰ পিছতহে পৃথক (sic অৰ্থাত খাৰিজ) কৰিব পাৰি আৰু জামিন মঞ্জুৰ কৰাৰ বাবে ইয়াৰ আগতে কোনো আবেদন কৰা হোৱা নাই। এইটো ভালদৰে প্ৰতিষ্ঠিত যে, যদি এজন অভিযুক্তই অভিযোগপত্ৰ দাখিল কৰাৰ আগতে আইনী জামিন মঞ্জুৰ কৰাৰ অধিকাৰ প্ৰয়োগ নকৰে, তেন্তে এনে অভিযোগপত্ৰ দাখিল কৰাৰ পিছত তেওঁ এনে লাভালাভৰ অধিকাৰ হেৰুৱায় আৰু তাৰ পিছত কেৱল নিয়মীয়া জামিনৰ বাবে আবেদন কৰিব পাৰে।

২৬. অৱশ্যে, বৰ্তমান ক্ষেত্ৰত পৰিস্থিতি বেলেগধৰনৰ কাৰণ, আপীলকাৰীজনে তেওঁৰ জিম্মা অবৈধ বুলি একেদিনাই জামিনৰ অধিকাৰ প্ৰয়োগ কৰিছিল আৰু তদন্ত সম্পূৰ্ণ কৰাৰ বাবে সময় বৃদ্ধিৰ বাবে অভিযোগকাৰীপক্ষৰ দ্বাৰা দাখিল কৰা আবেদন গ্ৰহণ কৰা আৰু তাৰ ওপৰত আদেশ প্ৰদান কৰাৰ পিছলৈকে মুখ্য মেট্ৰ'পলিটান দণ্ডাধীশৰ দ্বাৰা এনে আবেদন অমীমাংসিত কৰি ৰখা হৈছিল।

> ২৭. আমি মুখ্য মেট্ৰ'পলিটান মেজিষ্ট্ৰেটৰ দ্বাৰা গ্ৰহণ কৰা প্ৰক্ৰিয়াৰ প্ৰশংসা কৰিবলৈ অক্ষম, যি উচ্চ ন্যায়ালয়ে সমৰ্থন কৰিছে আৰু আমি মতপোষণ কৰিছো যে, আপীলকাৰীয়ে ১৭-০৭-২০১২-ত জামিন মঞ্জুৰ কৰাৰ অধিকাৰ লাভ কৰিছিল, যেতিয়া তেওঁৰ জিম্মা অতিৰিক্ত সত্ৰ ন্যায়াধীশে জামিনৰ বাবে আবেদন কৰাৰ পিছত অবৈধ বুলি চিহ্নিত কৰিছিল, যি সময়ত তদন্ত অব্যাহত ৰখাৰ বাবে সময় বৃদ্ধিৰ বাবে দাখিল কৰা আবেদন বিচাৰাধীন হৈ আছিল। আমাৰ দৃষ্টিত, জামিন মঞ্জুৰ কৰাৰ আপীলকাৰীৰ অধিকাৰ পৰৱৰ্তী আবেদনৰ দ্বাৰা প্ৰভাৱিত হোৱা নাছিল আৰু মুখ্য মেট্ৰ'পলিটান মেজিষ্ট্ৰেট আৰু উচ্চ ন্যায়ালয়ে অন্যথা অনুষ্ঠিত কৰাত ভুল কৰিছিল।"

(গুৰুত্বপূৰ্ণ উল্লেখ)

১৫.৪ একেদৰে, **ইউনিয়ন অফ ইণ্ডিয়া বনাম নিৰালা যাদৱ**, (২০১৪) ৯ এছ.চি.চি. ৪৫৭-ত অভিযুক্তজনে ১৮.০৩.২০০৭ তাৰিখে বাধ্যতামূলক জামিনৰ বাবে আবেদন দাখিল কৰিছিল। ৰাজ্যখনে ১৫.০৩.২০০৭ তাৰিখে পি.ৱো.টি.এ.-ৰ ধাৰা ৪৯(২)(বি)-ৰ অধীনত সময়বৃদ্ধি বিচাৰি আবেদন দাখিল কৰিছিল। অৱশ্যে, কোনো আবেদনৰ ওপৰতে আদেশ প্ৰদান কৰা হোৱা নাছিল। ইতিমধ্যে, অভিযোগপত্ৰখন ২৬.০৩.২০০৭ তাৰিখে দাখিল কৰা হৈছিল। ০৩০.৪.২০০৭ তাৰিখে বিশেষ ন্যায়াধীশে দুয়োখন আবেদন গ্ৰহণ কৰিছিল আৰু অভিযোগপত্ৰ দাখিলৰ সময় পূৰ্বৱৰ্তীভাৱে বৃদ্ধি কৰিছিল। এই কথা **সঞ্জয় দত্ত**-সিদ্ধান্ত অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰ্যালোচিত হৈছিল যে, অভিযোগপত্ৰ দাখিল কৰাৰ আগতে জামিনৰ ওপৰত কোনো নিৰ্দেশ দিয়া

হোৱা নাছিল বাবে জামিনৰ অখন্দনীয় অধিকাৰ সম্পূৰ্ণৰূপে ধ্বংস কৰা হৈছিল।

ন্যায়ালয়ে উল্লেখ কৰিছিল যে, অভিযোগকাৰীপক্ষই ৯০দিনৰ ম্যাদ উকলি যোৱাৰ আগতে সম্প্ৰসাৰণৰ কোনো আবেদন দাখিল কৰা নাছিল। তাৰোপৰি দেখা গৈছিল যে, "*যদি সম্প্ৰসাৰণৰ বাবে আবেদন দাখিল কৰা হ'লহেঁতেন, তেন্তে বিষয়টো সম্পূৰ্ণ বেলেগ হ'লহেঁতেন*"। অৱশেষত, আদালতে মত দিছিল যে, দণ্ডাধীশে দাখিল কৰা দিনটোত বাধ্যতামূলক জামিনৰ আবেদনৰ ফৈচলা কৰিবলৈ বাধ্য আছিল। সেয়েহে আদালতে **উদয় মোহনলাল আচাৰ্য**-ৰায়ৰ ওপৰত নিৰ্ভৰ কৰি অভিযুক্তক বাধ্যতামূলক জামিন প্ৰদান কৰাৰ উচ্চ ন্যায়ালয়ৰ আদেশত অটল হৈ আছিল।

১৬. শ্ৰীলেখিয়ে এই আদালতৰ **প্ৰগিয়ানা সিং ঠাকুৰ বনাম মহাৰাষ্ট্ৰ ৰাজ্য**, (২০১১) ১০ এছ.চি.চি. ৪৪৫-ৰায়ৰ বিশেষ উল্লেখ কৰে, য'ত **সঞ্জয় দত্তৰ** (সুপ্ৰা) ওপৰত নিৰ্ভৰ কৰি এইকথা উপস্থাপন কৰা হৈছিল যে, য'ত নিৰ্ধাৰিত ম্যাদৰ ভিতৰত অভিযোগপত্ৰ দাখিল নকৰাত জামিনৰ বাবে আবেদন দাখিল কৰা হয়, সেই জামিনৰ অধিকাৰ নিৰ্বাপিত হ'ব যদিহে, অভিযোগকাৰীপক্ষই পৰৱৰ্তী সময়ত আবেদনৰ বিবেচনা আৰু অভিযুক্তৰ মুক্তিৰ আগতে অভিযোগপত্ৰ দাখিল কৰে। তাৰপিছত অভিযুক্তজনক জামিনত মুকলি কৰাটো কেৱল যোগ্যতাৰ ওপৰতহে হ'ব পাৰে। যদিও, বিজ্ঞ বিচাৰকসকলে **প্ৰগিয়ানা সিং ঠাকুৰ** (সুপ্ৰা/উপৰোক্ত)-ত **উদয় মোহনলাল আচাৰ্য** গোচৰৰ কথা উল্লেখ কৰিছিল, তেওঁলোকে সুপ্ৰা/উপৰোক্ত-ত উল্লেখ কৰাতকৈ সম্পূৰ্ণ বিপৰীত মতামত প্ৰকাশ কৰিছে।

১৬.১ মনকৰিবলগীয়া যে, **প্ৰগিয়ানা সিং ঠাকুৰ**-ত বিজ্ঞ বিচাৰকসকলে সেই গোচৰটোৰ তথ্যৰ ওপৰত ভিত্তি কৰি সিদ্ধান্তত উপনীত হৈছিল যে, অভিযুক্তজনক জিম্মালৈ প্ৰেৰণ কৰাৰ প্ৰথম আদেশৰ পৰা ৯০দিনৰ ভিতৰত অভিযোগপত্ৰ দাখিল কৰা হৈছিল। বাধ্যতামূলক জামিনৰ অধিকাৰ খাৰিজ কৰাত ওপৰোক্ত পৰ্যৱেক্ষণবোৰ কেৱল এক হাইপথেতিকেল *অৰগোয়েন্দো* (কাল্পনিক যুক্তি)-ৰ ৰূপত অবিটাৰ (আন এক দিশ) হিচাপে গণ্য কৰা হৈছিল আৰু, সেয়েহে এনেধৰণৰ এক বাধ্যতামূলক দৃষ্টান্ত স্থাপন কৰা বুলি ক'ব নোৱাৰি। অৱশ্যে, যিকোনো ক্ষেত্ৰতে সিদ্ধান্তটো ৰাজ্যৰ দ্বাৰা নিৰ্ভৰ কৰি থকাৰ বাবে আমি স্পষ্ট কৰিব লাগিব যে, আমাৰ ক্ষেত্ৰত **প্ৰগিয়ানা সিং ঠাকুৰ**-ত কৰা পৰ্যৱেক্ষণৰ বিবেচিত মতামতবোৰ বৃহত্তৰ বিচাৰপীঠসমূহৰ ৰায়ৰ নিৰ্ধাৰিত নীতিৰ বিপৰীতে গতি কৰে।

১৬.২ মনকৰিবলগীয়া যে, **নিৰলা যাদৱ**-ৰ (সুপ্ৰা/উপৰোক্ত) দুজনীয়া বিচাৰপীঠে ইতিমধ্যে কৈছে যে, **প্ৰগিয়ানা সিঙ ঠাকুৰ**-ৰ আৰম্ভনিৰ কো-ৱোৰদিনেত (সমন্বয়) বিচাৰপীঠে উল্লেখ কৰা নীতিবোৰ, বিশেষকৈ সিদ্ধান্তটোৰ ৫৪ আৰু ৫৮ দফাত, আইনৰ সঠিক স্থিতি উল্লেখ নকৰে। দুয়োটা মতামত অধ্যয়নৰ পিছত, আমি সিদ্ধান্তত উপনীত হ'বলৈ আৰু **নিৰালা যাদৱ**-ত কোৱা স্থিতিটো শুদ্ধ বুলি মত দিবলৈ বাধ্য হৈছোঁ। আমি এই সিদ্ধান্তত উপনীত হওঁ যে, **প্ৰগিয়ানা সিং ঠাকুৰ**-ত প্ৰকাশ কৰা মতামত অনুসৰি অভিযোগপত্ৰ দাখিল কৰাৰ পিছতহে জামিনৰ অধিকাৰ কেৱল যোগ্যতাৰ ওপৰত বিবেচনা কৰিব পাৰি- এই কথা **সঞ্জয় দত্ত**ৰ সংবিধান বিচাৰপীঠৰ সিদ্ধান্তৰ ভুল ব্যাখ্যাৰ ওপৰত আধাৰিত। সুপ্ৰা/উপৰোক্ত-ৰ উল্লেখ অনুসৰি, সংবিধান বিচাৰপীঠৰ সিদ্ধান্তত ব্যৱহৃত-

"যদি ইতিমধ্যে লাভ কৰা নহয়" অভিব্যক্তিৰ ভুল ব্যাখ্যা **প্ৰগিয়ানা সিং ঠাকুৰ**-ত দুজনীয়া বিচাৰপীঠ সমন্নিতে আদালতে কৰাৰ অৰ্থ হৈছে- অভিযুক্তজনে কেৱল তেতিয়াহে বাধ্যতামূলক জামিনৰ অধিকাৰ লাভ কৰিব পাৰে যদিহে তেওঁ অভিযোগপত্ৰ দাখিল কৰাৰ আগতে মুকলি কৰা হৈছে। অৱশ্যে, **উদয় মোহনলাল আচাৰ্য** (সুপ্ৰা/উপৰোক্ত)-ত এই ন্যায়ালয়ে ওপৰত উল্লেখকৰাৰ দৰে এই সিদ্ধান্তত উপনীত হোৱাৰ আগতে **সঞ্জয় দত্ত**-ৰ ক্ষেত্ৰত উল্লেখ কৰা নীতিবোৰ সঠিকভাৱে বুজি পাইছে আৰু বিশ্লেষণ কৰিছে।

আমি মতত অটল যে, **উদয় মোহনলাল আচাৰ্য**-ত লোৱা দৃষ্টিভংগী এটা ধৰাবন্ধা দৃষ্টান্ত। ইয়াৰ পিছত **চৈয়দ মহম্মদ আহমাদ কাজমী** (সুপ্ৰা/উপৰোক্ত)-ৰ পৰৱৰ্তী তিনিজনীয়া বিচাৰপীঠে সমৰ্থন কৰিছে। সেয়েহে, **প্ৰগিয়ানা সিং ঠাকুৰ**-ৰ দফা ৫৪ আৰু ৫৮-ত দুজনীয়া বিচাৰপীঠে *পাৰ ইনকিউৰিয়াম* (মনযোগৰ অভাৱ)-ত প্ৰদান কৰা মতামতৰ প্ৰভাৱ এইয়ে যে, "*যদিহে জামিনৰ বাবে আবেদন দাখিল কৰা হই, অভিযোগপত্ৰখন ৯০দিনৰ ভিতৰত দাখিল কৰা নহ'লেও, কিন্তু বিবেচনা কৰাৰ আগতে আৰু জামিনত মুকলি হোৱাৰ আগতেই, জামিনত মুকলি হোৱাৰ অধিকাৰ হেৰুৱাব বুলি কোৱা হৈছে*" বা "*কেৱল যোগ্যতাৰ ভিত্তিত হে হ'ব পাৰে*"।

১৬.৩ অলপতে, বিক্ৰমজিৎ সিং বনাম পঞ্জাব ৰাজ্য (২০২০চনৰ ফৌজদাৰী আপীল নং ৬৬৭, তাৰিখ-১২অক্টোবৰ, ২০২০), ২০২০ এছ.চি.চি. অনলাইন এছ.চি. ৮২৪-ত, ইউ.এ.পি.এ.-ৰ অধীনত বাধ্যতামূলক জামিনৰ বাবে আবেদনত উত্থাপিত একেধৰণৰ প্ৰশ্নৰ মোকাবিলা কৰি, এই ন্যায়ালয়ৰ

তিনিজনীয়া বিচাৰপীঠে বিষয়টোৰ ওপৰত বিভিন্ন ৰায় বিবেচনা কৰি এনেদৰে উপস্থাপন কৰিছে:

> "ওপৰোক্ত সিদ্ধান্তবোৰৰ এক নিৰীক্ষণে দেখুৱাব যে, যেতিয়ালৈকে অভিযোগপত্ৰ দাখিল কৰাৰ আগতে ৯০দিনৰ ম্যাদ উকলি যোৱাৰ পিছত (যি আবেদন লিখিতভাৱে থকাৰ প্ৰয়োজন নাই) বাধ্যতামূলক জামিনৰ অধিকাৰ সম্পূৰ্ণ হয়। এইটো কোনো নিৰ্দিষ্ঠ মুহূৰ্তৰ বিষয় নহয় যে, বৰ্তমানক্ষেত্ৰৰ ফৌজদাৰী আদালতে অভিযোগপত্ৰ দাখিল কৰাৰ আগতে এনে আবেদন নিষ্পত্তি নকৰে বা এনে অভিযোগপত্ৰ দাখিল কৰাৰ আগতে এনে আবেদন ভুলকৈ নিষ্পত্তি কৰে। সময় অতিবাহিত হোৱাৰ আগতে নিৰ্ধাৰিত ম্যাদ উকলি যোৱাৰ পিছত অতিবেছি ১৮০দিনলৈ ম্যাদ সম্প্ৰসাৰন কৰি, বাধ্যতামূলক জামিনৰ বাবে আবেদন কৰা হৈছে, বাধ্যতামূলক জামিন, ধাৰা ১৬৭(২)-ৰ প্ৰথম সৰ্তৰ অধীনত অভিযুক্তৰ অখন্দনীয় অধিকাৰ লাভ হ'ব লগতে মঞ্জুৰ কৰিব লাগিব।"

বিক্ৰমজিৎ সিঙ ৰায়-ত এই কথা নিশ্চিত কৰে যে, অভিযুক্তৰ স্বাধীনতা হ্ৰাস কৰাৰ বাবে বিশেষ আইনৰ অধীনত প্ৰদান কৰা কঠোৰ ক্ষমতাবোৰ স্বেচ্ছাচাৰীভাৱে ব্যৱহাৰ কৰা নহয়।

পুনৰাবৃত্তিত এইকথা গুৰুত্ব দিব লাগিব যে, ধাৰা ১৬৭(২) আৰু তাৰ প্ৰভিচো (সৰ্ত) প্ৰণয়ন কৰোঁতে আইনসভাৰ সৰ্বাধিক বিবেচনা আছিল যে, তদন্তটো ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰিব লাগিব, আৰু ১৮৯৮ বিধিৰ অধীনত চলি থকা পৰিস্থিতি অনুসৰি অভিযুক্তক কাৰণ নোহোৱাকৈ দীঘলীয়া সময়ৰ বাবে আটক কৰিব নালাগিব। এইটো অনুচ্ছেদ ২১-ৰ অধীনত কোনো

ব্যক্তিক তেওঁৰ ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰাৰ আগতে এক নিৰপেক্ষ, ন্যায়সঙ্গত আৰু যুক্তিযুক্ত প্ৰক্ৰিয়া অনুসৰণ কৰাৰ ৰাজ্যৰ ওপৰত দিয়া বাধ্যবাধকতাৰ সৈতে সামঞ্জস্যপূৰ্ণ হ'ব।

**উপসংহাৰ**

১৭. বৰ্তমানৰ গোচৰটোত স্বীকাৰ কৰা হৈছে যে, আপীলকাৰী–অভিযুক্তজনে গ্ৰেপ্তাৰ হোৱাৰ ১৮১–তম দিনাখন ৰাতিপুৱা ১০:৩০বজাত অৰ্থাৎ ০১.০২.২০১৯ তাৰিখে আদালত খোলাৰ ঠিক পিছতে আবেদন দাখিল কৰি জামিনপ্ৰাপ্ত কৰাৰ বিকল্প ব্যৱহাৰ কৰিছিল। এইকথাত বিবাদ নাই যে, ৰাজহুৱা অধিবক্তাই ৩১.০১.২০১৯ তাৰিখৰ আগতে বা ০১.০২.২০১৯ তাৰিখে ৰাতিপুৱা ১০:৩০বজাৰ আগতে অপৰাধটোৰ তদন্তৰ বাবে সময় বৃদ্ধি বিচাৰি কোনো আবেদন দাখিল কৰা নাছিল। ৰাজহুৱা অধিবক্তাই জামিন আবেদন দাখিল কৰাৰ দিনা আবেলি ৪:২৫বজালৈকে যুক্তি–তৰ্কত অংশগ্ৰহণ কৰিছিল। তাৰপিছতহে আপীলকাৰীৰ বিৰুদ্ধে অতিৰিক্ত অভিযোগ দাখিল কৰা হৈছিল।

সেয়েহে, ওপৰোক্ত নীতিবোৰ প্ৰয়োগ কৰি, আপীলকাৰী– অভিযুক্তজনে তেওঁৰ জামিনৰ অখন্দনীয় অধিকাৰ ব্যৱহাৰ কৰা বুলি গণ্য কৰা হৈছিল, যি মুহূৰ্তত তেওঁ জামিনত মুকলি কৰাৰ আবেদন দাখিল কৰিছিল লগতে ০১.০২.২০১৯ তাৰিখে ৰাতিপুৱা ১০:৩০বজাত জামিন আদেশৰ চৰ্ত আৰু নিয়মাৱলী মানি চলাৰ মত দিছিল। পৰৱৰ্তী সময়ত অতিৰিক্ত অভিযোগ দাখিল কৰা স্বত্বেও তেওঁৰ জামিনত মুক্তি পোৱাৰ অধিকাৰ আছিল।

১৭.১ এইটো স্পষ্ট যে, হাতত থকা গোচৰটোত ৰাজ্য/তদন্তকাৰী সংস্থাই জামিনত মুকলি হোৱাৰ অভিযুক্তৰ অখন্দনীয় অধিকাৰক ৰদ কৰিবলৈ,

জামিন আবেদনৰ ওপৰত আপীলকাৰীৰ যুক্তিসমাপ্ত হোৱাৰ পিছত সংশ্লিষ্ট আদালতৰ সন্মুখত অতিৰিক্ত অভিযোগ দাখিল কৰিছে। যদি এনে ধৰণৰ ব্যৱস্থাৰ অনুমতি দিয়া হয়, ধাৰা ১৬৭(২)-ৰ অধীনত অধিকাৰটো কৰ্তৃত্বপূৰ্ণ কৰা হ'ব কিয়নো অনুসন্ধানকাৰী বিষয়াসকলে অভিযুক্তই তেওঁৰ অধিকাৰ প্ৰয়োগ কৰালৈকে দীঘলীয়া কৰিব পাৰিব আৰু জামিনৰ বাবে আবেদন গ্ৰহণ কৰাৰ লগে লগে অভিযুক্তৰ নাম সহ অতিৰিক্ত অভিযোগ দাখিল কৰিব পাৰে। এনে অভিযোগ দুৰ্বল কাৰণত হ'ব পাৰে বা কেৱল অভিযুক্তক জিম্মাত ৰখাৰ বাবে গঠিত হ'ব পাৰে, যদিও আমি বৰ্তমানৰ গোচৰটোত অতিৰিক্ত অভিযোগৰ গুণাগুণৰ ওপৰত মন্তব্য দিয়াৰ পৰা বিৰত থাকোঁ। অপৰাধৰ গুৰুত্ব আৰু প্ৰমাণৰ নিৰ্ভৰযোগ্যতা নিৰ্বিশেষে উপলব্ধ, কেৱল বাধ্যতামূলক জামিনৰ বাবে আৱেদন কৰ্তন কৰাৰ বাবে অতিৰিক্ত অভিযোগ দাখিল কৰাটো আমাৰ দৃষ্টিত এক অনুচিত পদক্ষেপ।

সেয়েহে, আমাৰ মতামত অনুসৰি, উচ্চ ন্যায়ালয়ে অভিযুক্তজনক বাধ্যতামূলক জামিনত মুকলি কৰি বিচাৰ আদালতৰ ৰায় আৰু আদেশ আঁতৰাই ৰখাটো ন্যায়সঙ্গত নাছিল।

১৭.২ আমি এইটোও বিচাৰি পাওঁ যে, উচ্চ ন্যায়ালয়ে সিদ্ধান্তত উপনীত হোৱাৰ সময়ত বিষয়টোৰ গুণাগুণত ভুলকৈ স্পৰ্শ কৰিছে। উচ্চ ন্যায়ালয়ৰ দ্বাৰা দিয়া কাৰণ আৰু সিদ্ধান্ত গ্ৰহণযোগ্য নহয়।

১৮. সেয়েহে, অৱশেষত:

১৮.১ তদন্তৰ বাবে নিৰ্ধাৰিত সময়সীমা উকলি যোৱাৰ পিছত, এবাৰ অভিযুক্তজনে ধাৰা ১৬৭(২)-ৰ প্ৰভিচো (সৰ্ত)-ৰ অধীনত জামিনৰ বাবে আবেদন দাখিল কৰাৰ পিছত তেওঁ 'লাভ কৰিছে'

বুলি গণ্য কৰা হয় বা বাধ্যতামূলক জামিনত মুকলি কৰাৰ অধিকাৰ প্ৰয়োগ কৰা বুলি গণ্য কৰা হয়। সেয়েহে, যদি অভিযুক্তজনে ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২)-ৰ লগতে ধাৰা ৩৬এ (৪), এন.ডি.পি.এ.ছ আইনৰ অধীনত জামিনৰ বাবে আবেদন কৰে, গোচৰ অনুসৰি ১৮০দিন বা বৰ্ধিত ম্যাদ উকলি যোৱাৰ পিছত চৰকাৰী অধিবক্তাৰ পৰা প্ৰয়োজনীয় তথ্য প্ৰাপ্ত কৰি সুপ্ৰাত উল্লেখকৰা অনুসৰি আদালতে তেওঁক কোনো অপ্ৰয়োজনীয় বিলম্ব নকৰাকৈ জামিনত মুক্তি দিব লাগিব। এনে ধৰণৰ তাৎক্ষণিক পদক্ষেপে অনুসন্ধানকাৰী সংস্থাৰ দ্বাৰা বাধ্যতামূলক জামিনত অভিযুক্তক মুক্তি দিয়াৰ আইনী আদেশ খৰ্ব কৰাত বাধা দিব।

১৮.২ যদি অভিযুক্তজনে এনে জামিনৰ বাবে আবেদন কৰিছে, জামিনৰ আবেদন বিচাৰাধীন কৰি ৰখা স্বত্বেও বাধ্যতামূলক জামিনত মুকলি কৰাৰ অধিকাৰ বলবৎ হৈ আছে; বা পৰৱৰ্তী সময়ত অভিযোগপত্ৰ দাখিল কৰা বা আদালতৰ সন্মুখত অভিযোগকাৰীপক্ষৰ দ্বাৰা সময় বৃদ্ধি বিচৰা প্ৰতিবেদন; বা যেতিয়া জামিন আবেদন প্ৰত্যাখ্যানৰ প্ৰত্যাহ্বান উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ থাকে, তেতিয়া অন্তঃৰৰ্তীকালত অভিযোগপত্ৰ দাখিল কৰা হয়।

১৮.৩ অৱশ্যে, য'ত অভিযুক্তজনে তেওঁৰ ওচৰত অধিকাৰপ্ৰাপ্ত হ'লে বাধ্যতামূলক জামিনৰ বাবে আবেদন কৰাত ব্যৰ্থ হয়, আৰু পৰৱৰ্তী সময়ত অভিযোগপত্ৰ, অতিৰিক্ত অভিযোগ বা সময় বৃদ্ধি বিচৰা প্ৰতিবেদন দণ্ডাধীশৰ সন্মুখত প্ৰাধান্য দিয়া হয়, বাধ্যতামূলক

জামিনৰ অধিকাৰ নিৰ্বাপিত হ'ব। মেজিষ্ট্ৰেটে গোচৰটোৰ ওপৰত গুৰুত্ব দিবলৈ বা তদন্ত সম্পূৰ্ণ কৰাৰ বাবে অধিক সময় দিয়াৰ স্বাধীনতা থাকিব, যিহেতু গোচৰটো হ'ব পাৰে, অৱশ্যে অভিযুক্তজনক এতিয়াও ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ অন্যান্য ধাৰাৰ অধীনত জামিনত মুকলি কৰা হ'ব।

১৮.৪ ন্যায়ালয়ে প্ৰদান কৰা বাধ্যতামূলক জামিনৰ আদেশ স্বত্বেও, ধাৰা ১৬৭(২)ৰ ১নং ব্যাখ্যাৰ দ্বাৰা অভিযুক্তজনক জিম্মাৰ পৰা প্ৰকৃত মুক্তি দিয়াত সক্ষম আদালতে জামিন মঞ্জুৰ কৰা নিৰ্দেশনাৰ ওপৰত নিৰ্ভৰশীল। যদি, অভিযুক্তজনে আদালতৰ দ্বাৰা নিৰ্ধাৰিত সময়ৰ ভিতৰত জামিন আদেশৰ চৰ্ত আৰু নিয়মাৱলী পালন কৰাত বিফল হয়, তেন্তে তেওঁক জিম্মাত ৰখাটো বৈধ।

১৯. সেয়েহে উচ্চ ন্যায়ালয়ৰ অপ্ৰত্যাশিত ৰায়টো আঁতৰাই ৰখা হৈছে আৰু বিচাৰ আদালতৰ ৰায় স্বীকৃত ৰূপে উপস্থাপিত হৈ আছে। অৱশ্যে, আমি অতিৰিক্তভাৱে নিৰ্দেশ দিওঁ যে, বিচাৰ আদালতৰ নিৰ্দেশনা অনুসৰি জামানত প্ৰদান কৰাৰ উপৰিও, আপীলকাৰী-অভিযুক্তজনে তেওঁৰ পাছপোৰ্ট-ৰ অধিকাৰ ত্যাগ কৰিব লাগে, অনুসন্ধানৰ উদ্দেশ্যে প্ৰয়োজন হ'লে উত্তৰদাতা-সঞ্চালকালয়ক প্ৰতিবেদন দিয়াৰ প্ৰতিশ্ৰুতি দিব লাগে আৰু লগতে বিচাৰ আদালতৰ ছুটি অবিহনে চেন্নাই চহৰৰ সীমা এৰি নাযাবলৈ প্ৰতিশ্ৰুতি দিয়াতো বাঞ্চনীয়। এইটোৱে আপীলকাৰী আদালতৰ ক্ষেত্ৰাধিকাৰৰ পৰা পলাতক হোৱাৰ বিষয়ত যিকোনো উদ্বেগ দূৰ কৰিব।

২০. সেই অনুসৰি আপীলৰ অনুমতি দিয়া হৈছে।

..................................

ন্যায়াধীশ(উদয় উমেশ ললিত)

..................................

ন্যায়াধীশ(মোহন এম. শান্তনাগৌদাৰ)

..................................

ন্যায়াধীশ(ভিনিট চৰণ)

নতুন দিল্লী,

অক্টোবৰ ২৬, ২০২০

--------------------------------------------

অনুবাদক- ড. অৰ্চ্চনা দেৱী, অনুবাদ শাখা, গৌহাটী উচ্চন্যায়ালয়

DISCLAIMER
"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".
("স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")

.....................